অধ্যায় ১০ ঃ কৃষ্ণকান্ত সন্দিকৈ ঃ 'গ্রীক্ নাটকৰ গান'

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য

10.2 পৰিচয়

10.3 কৃষ্ণকান্ত সন্দিকৈ ঃ জীৱন আৰু কৃতি

10.3.1 কৃষ্ণকান্ত সন্দিকৈৰ সাহিত্য কৃতি

10.4 মূল পাঠৰ আলোচনা

10.4.1 গ্রীক্ ট্রেজেডি আৰু গ্রীক্ নাটকৰ গান

10.4.2 গ্রীক্ শোকনাটকৰ গানৰ শ্রেণী বা প্রকাৰ

10.4.3 গ্রীক্ নাটকত ক'ৰাছৰ প্রাধান্য আৰু গুৰুত্ব

10.4.4 গ্রীক্ নাটকৰ গীতৰ বিভিন্ন দিশ

10.4.5 গ্রীক্ ট্রেজেডিৰ অনুকৰণ আৰু প্রভাৱ

10.4.6 গ্রীক্ নাটক আৰু প্রাচীন ভাৰতীয় সাহিত্য

10.5 কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰীতি

10.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

10.7 অধিক জানিবলৈ

10.8 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

10.9 আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কৃষ্ণকান্ত সন্দিকৈৰ জীৱন আৰু অগাধ পাণ্ডিত্যৰ বিষয়ে অৱগত হ'ব
- সন্দিকৈৰ সাহিত্য সম্পর্কে বিস্তৃতভাৱে জানিব পাৰিব
- প্রাচীন গ্রীক্ ট্রেজেডিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- গ্রীক্ ট্রেজেডিৰ গানৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব
- কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰীতিৰ বৈশিষ্টসমূহ ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈয়ে ৰচনা কৰা 'গ্রীক্ নাটকৰ গান' প্রবন্ধটি এই পাঠ্যক্রমৰ অন্তর্গত দশম অধ্যায়। এই প্রবন্ধটো 1858 শকৰ ব'হাগ মাহত, আৰাহনৰ সপ্তম বছৰ, পঞ্চম সংখ্যাত

প্রকাশিত হৈছিল। পৰৱর্তী সময়ত যতীন্দ্র নাথ গোস্বামীয়ে সঙ্কলন আৰু সম্পাদনা কৰা 'কৃষ্ণকান্ত সন্দিকৈ ৰচনা-সম্ভাৰ'ত প্রবন্ধটো সন্নিৱিষ্ট হৈছে।

১০.৩ কৃষ্ণকান্ত সন্দিকৈ ঃ জীৱন আৰু কৃতি

সাতঘৰীয়া আহোম ফৈদৰ সন্দিকৈ বংশৰ দানবীৰ ৰাধাকান্ত সন্দিকৈ আৰু নাৰায়ণী সন্দিকৈৰ পুত্র কৃষ্ণকান্ত সন্দিকৈৰ 1898 চনৰ 20 জুলাই তাৰিখে যোৰহাটতজন্ম হয়। 1913 চনত যোৰহাট চৰকাৰী উচ্চ ইংৰাজী স্কুলৰ পৰা প্রৱেশিকা আৰু 1915 চনত কটন কলেজৰ পৰা আই.এ. উত্তীর্ণ হোৱাৰ পিছত তেওঁ কলিকতালৈ উচ্চ শিক্ষা গ্রহণৰ বাবে যায়। তাত সংস্কৃত কলেজত তেওঁ বি.এ. পঢ়ে। 1917 চনত সেই কলেজৰ পৰাই সংস্কৃততে প্রথম শ্রেণীৰ প্রথম স্থান লাভ কৰি বি.এ. পৰীক্ষাত উত্তীর্ণ হয় আৰু কলিকতা বিশ্ববিদ্যালয়ৰ প্রসন্ন কুমাৰ অধিকাৰী স্বর্ণ পদক লাভ কৰে। ইয়াৰ পিছত কলিকতা বিশ্ববিদ্যালয়ত সংস্কৃতৰ বৈদিক শাখাত এম.এ. পঢ়ে আৰু তাতো তেওঁ 1919 চনত প্রথম শ্রেণীৰ প্রথম হয়। ইয়াৰ পিছতে তেওঁ বিদেশলৈ গৈ অক্সফ'র্ড বিশ্ববিদ্যালয়ত মডার্ণ হিষ্টৰী অধ্যয়ন কৰে আৰু তাতো তেওঁ প্রথম শ্রেণীৰ প্রথম হৈ 1923 চনত এম.এ. ডিগ্রী অর্জন কৰে। সেই সময়ত অক্সফ'র্ডে আগবঢ়াব পৰা সেইটোৱেই আছিল আটাইতকৈ সন্মানজনক ডিগ্রী। কে. পি. এছ. মেননে কৈছিল যে অক্সফ'র্ডবিশ্ববিদ্যালয়ৰ পৰা মডার্ণ হিষ্টৰী বিষয়ত প্রথম শ্রেণীৰ প্রথম বিভাগত এম.এ. হোৱাৰ পিছত ইণ্ডিয়ান চিভিল ছার্ভিচ পৰীক্ষাও আচলতে ল'ৰা-ধেমালিৰ দৰেহে হয়। এই কথাই সন্দিকৈৰ অসাধাৰণ মেধাশক্তিৰ কথাকে প্রতিপন্ন কৰিছে।

আনুষ্ঠানিক শিক্ষাৰ অধ্যায়টো সফলতাৰে সমাপন কৰাৰ পিছৰে পৰাই সন্দিকৈৰ জ্ঞান সাধনাৰ আচল প্রক্রিয়া যেন আৰম্ভ হৈছিল। বিদেশী ভাষা-সাহিত্যৰ প্রতি তেওঁ প্রৱল অনুসন্ধিৎসু আছিল। সেয়েহে ইংলেণ্ডত থকা সময়তে তাৰ 'লেংগুৱেজ স্কুল'ত ফৰাচী আৰু জার্মান ভাষা শিকে। ইয়াৰ লগতে 'কৰেচপন্ডেন্স ক'র্চ' হিচাপে গ্রীক্ আৰু লেটিন শিকি সেই দুটা ভাষাও আয়ত্ত কৰে। অক্সফ'র্ডত অধ্যয়নৰ সময়তে তেওঁ ইটালীয় আৰু ৰুছ ভাষাও শিকে। জ্ঞান অর্জনৰ বাবে থকা অদমনীয় হেঁপাহৰ বাবেই এনেদৰে তেওঁ অনেক শ্রম কৰি বিদেশী ভাষা শিকি ফুৰিছিল। পৃথিৱীৰ ভিতৰত কিতাপৰ আটাইতকৈ ডাঙৰ ভঁৰাল থকা লণ্ডনৰ ব্রিটিছ মিউজিয়ামত নিয়মিত জ্ঞানৰ সন্ধান কৰাৰ লগতে অক্সফ'র্ডৰ বডলীয়ান লাইব্রেৰীলৈকো গৈ বিদ্যা অর্জনত ব্রতী হৈছিল। এনেদৰেই অনেক শ্রম কৰি বিদেশৰ জটিল ভাষা-সাহিত্য ঘাটি ফুৰিছিল আৰু জ্ঞানৰ বৰভঁৰাল গঢ়িছিল। বিদেশী ভাষাসমূহৰ বিস্তৃত অধ্যয়নৰ উদ্দেশ্যে তেওঁ ইংলেণ্ড এৰি 1923 চনত পেৰিচলৈ যায়। তাতে তেওঁ পেৰিচ বিশ্ববিদ্যালয়ত একাণপতীয়াভাৱে জার্মান, ইটালীয়, ৰুছ আৰু ফৰাচী ভাষা-সাহিত্য অধ্যয়নৰ লগতে স্পেনিচ ভাষা শিকাত লাগে। এনেবোৰ কামত কিমান কষ্টৰ প্রয়োজন সেয়া তেওঁ নিজে 'জার্মেনীৰ জ্ঞান সাধনা' প্রবন্ধত কৰা মন্তব্যৰ পৰাই অনুভৰ কৰিব পাৰি। তেওঁ কৈছিল— "জার্মান অধ্যয়ন আৰু আলোচনা প্রণালী আয়ত্ত কৰা সাধাৰণ কথা নহয়, কাৰণ সি হৈছে এটা ব্রত, এটা বিশেষ মানসিক প্রবৃত্তিৰ ওপৰত প্রতিষ্ঠিত। তাৰ কাৰণে

অবিশ্রান্ত পৰিশ্রম, তীক্ষ্ণ দৃষ্টি আৰু সুদীর্ঘ চর্চাৰ আৱশ্যক।" অক্সফ'র্ড বিশ্ববিদ্যালয়ৰ পৰা 'মডার্ণ হিষ্টৰী'ৰ দৰে জটিল বিষয়ত প্রথম শ্রেণীৰ প্রথম হৈ এম.এ. হোৱাৰ পিছতো যিজন ব্যক্তিৰ ব্যক্তিত্বৰ প্রধান গুণ আছিল নম্রতা সেইজন ব্যক্তিয়ে নিজে জার্মান অধ্যয়ন সম্পর্কত কোৱা এইষাৰ কথাই সঁচা অর্থতে এই অধ্যয়ন যে কিমান কষ্টকৰ আৰু কঠিন তাকে প্রতিপন্ন কৰিছে। 1925 চনত তেওঁ বার্লিনলৈ যায়। সেই ঠাইৰ বিখ্যাত পুথিভঁৰালসমূহলৈ গৈ গ্রীক্ আৰু ৰুছ সাহিত্যৰ বিস্তৃত অধ্যয়নত নিয়োজিত হয়। সংস্কৃতত অগাধ পাণ্ডিত্য থকা সন্দিকৈয়ে এনেদৰে বিভিন্ন দেশ ঘূৰি বিদেশী সাহিত্যৰ অধ্যয়নত একাণপতীয়াকৈ লাগে। প্রকৃতার্থত সন্দিকৈয়ে এনেদৰে প্রচুৰ কষ্ট কৰি বিদেশী ভাষা এফালৰ পৰা শিকি যোৱাৰ মূল কাৰণ আছিল জ্ঞান অর্জনৰ প্রতি থকাপ্রৱল হেঁপাহ। কাৰণ ভাষাসমূহ শিকাৰ বাবেই তেওঁ জার্মান, ৰুছ, গ্রীক্, স্পেনিছ, ফৰাচী আৰু ইটালীয় সাহিত্য প্রত্যক্ষভাৱে বিস্তৃত আৰু সূক্ষ্ম ৰূপত অধ্যয়ন কৰিবলৈ সমর্থ হৈছিল। তেওঁৰ এই কষ্টসাধ্য অধ্যয়ন আছিল প্রকৃত অর্থতে এক সাধনা, এক কঠিন ব্রত। একাগ্রতা, প্রৱল অনসন্ধিৎসু মনোবৃত্তি আৰু প্রচুৰ পৰিশ্রমী স্বভাৱ—এই তিনিটাৰ বলতে একপ্রকাৰ দুঃসাধ্য সাধন কৰা সন্দিকৈয়ে বিদেশী সাহিত্য অধ্যয়নৰ বাবেযে কিমান কষ্ট কৰিবলগা হৈছিল সেয়া সহজে অনুভৱ কৰিব পাৰি। এনেদৰে কঠোৰ ব্রত ধৰি বিদেশী ভাষা-সাহিত্যৰ অধ্যয়নেৰে জৰিয়তে "বিশ্বকোষ তুল্য" জ্ঞানৰ অধিকাৰী হৈ 1927 চনত তেওঁ স্বদেশলৈ ঘূৰি আহে।

1928 চনত তেওঁ হেমলতা আইদেউক বিয়া কৰায় ।তেওঁলোকৰ তিনিজন সন্তান হ'ল— প্রমীলা আইদেউ, বিজয়কৃষ্ণ সন্দিকৈ আৰু অহল্যা আইদেউ।1961 চনত তেওঁৰ পত্নী বিয়োগ ঘটে। তেওঁৰ স্মৃতিত সন্দিকৈয়ে যোৰহাটত 'হেমলতা হেন্দিক মেমৰিয়েল ইনষ্টিটিউট' নামৰ শিক্ষানুষ্ঠান স্থাপন কৰে।

1930 চনত তেওঁ যোৰহাটত নতুনকৈ স্থাপন হোৱা জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰে।1948 চনলৈকে অধ্যক্ষৰ দায়িত্ব পালন কৰি সেই বছৰতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচার্য হিচাপে কার্যভাৰ লয়। 1948 চনৰ পৰা 1957লৈ তেওঁ এই দায়িত্বত থাকি উচ্চ শিক্ষা ক্ষেত্রখনলৈ নিজৰ অৱদান আগবঢ়ায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাৱর্তন উৎসৱত সন্দিকৈয়ে ছাত্রসকলক উদ্দেশ্যি কোৱা এষাৰ কথাৰ পৰাই তেওঁৰ ব্যক্তিত্ব আৰু মানসিকতাৰ বিৰাট ৰূপ উপলব্ধি কৰিব পাৰি। তেওঁ কৈছিল— "স্নাতকসকলে মাথোন মনত ৰাখিব লাগিব যে চৰিত্র আৰু অন্তৰৰ বিশুদ্ধতাইহে তেওঁলোকক মানুহৰ মর্যাদা দিব।"

সন্দিকৈয়ে 1937 চনত গুৱাহাটীত বহা অসম সাহিত্য সভাৰ সপ্তদশ অধিৱেশনৰ সভাপতিৰ আসন অলঙ্কৃত কৰিছিল। অসম ছাত্র সন্মিলনৰ অন্যতম প্রতিষ্ঠাপক সন্দিকৈ 1929 চনত অসম ছাত্র সন্মিলনৰ চতুর্দশ অধিৱেশনৰো সভাপতি আছিল। 1968 চনত গুৱাহাটী বিশ্ববিদ্যালয়ে আৰু 1972 চনত ডিব্রুগড় বিশ্ববিদ্যালয়ে সন্দিকৈক ডি লিট উপাধিৰে বিভূষিত কৰে।1968 চনত তেওঁ পুনেৰ ডেক্কান কলেজৰ 'অনৰেৰী ফেল' হয়। ভাৰত চৰকাৰে সন্দিকৈক পদ্মশ্রী আৰু পদ্মভূষণ দুয়োটা সন্মানেই প্রদান কৰে। ড^{0} আদিনাথ নেমিনাথ উপাধ্যায় আৰু ড^{0} হীৰালাল জৈনে সন্দিকৈক 'একাডেমিক ঋষি' বুলি অভিহিত কৰিছিল। বিশ্বখ্যাত সংস্কৃত পণ্ডিত

আনন্দৰাম বৰুৱাৰ আদর্শ আৰু জীৱনৰ দ্বাৰা তেওঁ যথেষ্ট অনুপ্রাণিত হৈছিল। ৰাধাকান্ত সন্দিকৈৰ পুত্র হিচাপে উত্তৰাধিকাৰী সূত্রে তেওঁ অতুল ঐশ্বর্যৰ অধিকাৰী হ'লেও এইবোৰৰ প্রতি তেওঁ মোহগ্রস্ত নাছিল। জ্ঞান সাধনাই আছিল তেওঁৰ জীৱনৰ ব্রত। জ্ঞানকেই তেওঁ প্রকৃত সত্য বুলি মানিছিল।সেইবাবে জ্ঞানৰনীৰৰ অন্বেষণতে গোটেই জীৱন পাত কৰি 1982 চনত তেওঁ মৃত্যু বৰণ কৰে।



জানি থোৱা ভাল

জ্ঞানৰ প্রতি থকা হেঁপাহৰ বাবেই সন্দিকৈয়ে সংস্কৃত, প্রাকৃত আদি ভাৰতীয় ভাষা আয়ত্ত কৰাৰ লগতে গ্রীক্, ৰুছ, স্পেনিছ, ইটালীয়, জার্মান, ফৰাছী আদি বিদেশী ভাষাও অনেক কষ্ট কৰি শিকিছিল।

১০.৩.১ কৃষ্ণকান্ত সন্দিকৈৰ সাহিত্য কৃতি

জ্ঞানৰ নীৰৱ সাধক সন্দিকৈয়ে তেওঁ অর্জন কৰা অসীম জ্ঞানৰ জোখাৰে পিছে গ্রন্থ ৰচনা নকৰিলে। কিন্তু সংখ্যাত কম হ'লেও তেওঁ যি কৰিলে তাৰ মাজেদি তেওঁৰ জ্ঞানৰ ৰূপ উপলব্ধিত অলপো অসুবিধা নহয়। সেইবাবেই কৃষ্ণকান্ত সন্দিকৈ এজন বিশ্বখ্যাত পণ্ডিত। তেওঁ ইংৰাজী ভাষাত ৰচনা কৰা পুথিসমূহ হ'ল— *নৈষধ চৰিত* (1934], *যশস্তিলক এণ্ড ইণ্ডিয়ান কালচাৰ*(1949] আৰু *প্রৱৰসেনৰ সেতুবন্ধ* (1976]¼

এই তিনিখন পুথিৰ উপৰিও সন্দিকৈয়ে ইংৰাজী ভাষাত ভালেমান জটিল বিষয়ৰ প্রবন্ধ লিখিছিল।সেইসমূহৰ ভিতৰত 'ক্লাচিকেল সংস্কৃত এজ এ ভেহিকল অফ ইণ্ডিয়ান কালচাৰ','জার্মান একাডেমিক আইডিয়েলচ্','এন ইণ্ডিয়ান প্রিন্স ইন্ এ গ্রীক্ ৰোমান্স', 'চিত্র ভাগৱতৰ পাতনি' আদি উল্লেখযোগ্য। সন্দিকৈৰ পুথিকেইখন তেওঁৰ অসাধাৰণ মেধা, পাণ্ডিত্য, অধ্যয়ন আৰু প্রণালীবদ্ধ বিশ্লেষণ শক্তিৰ পৰিচায়ক। এই তিনিখন পুথিৰ জৰিয়তেই বিশ্বৰ পণ্ডিত সমাজৰ মাজত তেওঁ স্থান অধিকাৰ কৰিবলৈ সমর্থ হ'ল।

সংস্কৃত ভাষাৰ পঞ্চমহাকাব্যৰ অন্তর্গত *নৈষধ চৰিত* এখন জটিল গ্রন্থ। পুথিখনৰ বিষয়বস্তু হ'ল নল-দময়ন্তীৰ প্রণয়ৰ কাহিনী। 2800 শ্লোকেৰে ৰচিত পুথিখনৰ বিষয়ে আঠজন টীকাকাৰে টীকাভাষ্য ৰচনা কৰিছিল। বিভিন্ন টীকাকাৰৰ ব্যাখ্যাও বিভিন্ন। তদুপৰি কেৱল দুখন টীকাহে প্রকাশিত ৰূপত আছিল। অপ্রকাশিত সকলোবোৰ টীকা গোটাই ভিন্ন ধৰণৰ অর্থব্যাখ্যা মিলাই, বিচাৰ কৰি এটা সিদ্ধান্তলৈ অহাটো যথেষ্ট জটিল কাম। চাণ্ডুপণ্ডিত, বিদ্যাধৰ, ঈশানদেৱ, নৰহৰি, মল্লীনাথ, জিনৰাজ আদি ভালেমান টীকাকাৰৰ ভাষ্যসমূহ বিচাৰ কৰি চাই সন্দিকৈয়ে অর্থ নির্ণয় কৰি পাঠ যুগুত কৰিছিল।

সন্দিকৈয়ে একপ্রকাৰ এটা অসম্ভৱ সম্ভৱ কৰি তুলিলে। সন্দিকৈৰ আগতে বিভিন্ন টীকাকাৰৰ ভাষ্যৰ বিশ্লেষণসহ পুথিখনৰ ইংৰাজী অনুবাদ ওলোৱা নাছিল। সেই বাবে পুথিখন প্ৰকাশৰ লগে লগে বিশ্বখ্যাতপণ্ডিত সমাজৰ পৰা যথেষ্ট সমাদৰ লাভ কৰিছিল। *নৈষধ চৰিতত* 22টা সৰ্গ আছে। পুথিৰ শেষত মীমাংসা, সাংখ্য, চাৰ্বাক, জৈন, বৌদ্ধ, যোগ, বেদান্ত আদি ভাৰতীয় দৰ্শনৰ বিভিন্ন শাখাৰ বিষয়ে সংক্ষিপ্ত অথচ গভীৰ আলোচনা আগবঢ়াইছে।পুথিখনত কেৱল ইংৰাজী অনুবাদেই নাই ইয়াৰ উপৰিও বিভিন্ন টীকাকাৰে দিয়া বিভিন্ন ব্যাখ্যাসহ শব্দৰ অৰ্থৰ দীঘল তালিকা সন্নিৱিষ্ট হৈছে। এই অংশটোৱে পুথিখনৰ গুৰুত্ব বহুখিনিবঢ়াই তুলিলে।সমস্ত পুথিখনে লেখকৰ প্ৰচুৰ কষ্ট, বিশ্লেষণ দক্ষতা, মৌলিক চিন্তা আৰু ভাষাজ্ঞানৰ চানেকি দাঙি ধৰিছে।

সন্দিকৈৰ জীৱনৰ আন এক কীৰ্তিস্তম্ভ হ'ল দ্বিতীয়খন পুথি *যশস্তিলক আৰু ভাৰতীয় সংস্কৃতি*। সোমদেৱৰ এই পুথিখন এখন গদ্য-পদ্য মিহলি চম্পূ কাব্য। যশস্তিলক ৰাজকোঁৱৰ যশোধৰৰ কৰুণ কাহিনীৰ আধাৰত পুথিখন ৰচনা কৰা হৈছে। ওপৰুৱা দৃষ্টিত সাধাৰণ ৰোমান্স কাব্য যেন লাগিলেও সমসাময়িক ভাৰতৰ এক বৃহৎ সামাজিক ইতিহাস পুথিখনত সোমাই আছে। সেইবাবেই এই জৈন ধৰ্মীয় গ্ৰন্থখন যথেষ্ট জটিল। ইয়াৰ বিষয়বস্তু সাধাৰণ পণ্ডিতৰ বাবে নহয়। সন্দিকৈৰ গ্ৰন্থখন কেৱল মূল পুথিখনৰ সমালোচনাতে সীমাবদ্ধ হোৱা নাই। মূল পুথিৰ কাহিনীৰ সমধৰ্মী কাহিনীৰ উৎস বিচাৰি ভাৰতীয় সাহিত্যৰ পৰা তাৰ তথ্য দিছে আৰু তুলনামূলক বিচাৰ আগবঢ়াইছে। তদুপৰি সমসাময়িক ভাৰতীয় সংস্কৃতিৰ গঠন, বিকাশ আদি অনেক দিশৰ নিজস্ব বিচাৰ-বিশ্লেষণ ইয়াত অন্তৰ্ভুক্ত হৈছে। এই সমগ্ৰ কামটোত তেওঁৰ অসাধাৰণ দক্ষতা আৰু অধ্যয়নৰ প্ৰকাশ ঘটিছে। আধুনিক ইতিহাস বিষয়ত অক্সফ'ৰ্ডত অধ্যয়ন কৰি অহা সন্দিকৈয়ে তাত অৰ্জন কৰা জ্ঞানৰ সুপ্ৰয়োগ কৰি অতি বিজ্ঞানসম্মত পদ্ধতিৰে এই পুথিখন ৰচনা কৰিছিল।

কৃষ্ণকান্ত সন্দিকৈৰ জীৱনৰ তৃতীয় সাহিত্যকৃতি হ'ল 'সেতুবন্ধ'। প্ৰৱৰসেনে মহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচনা কৰা মহাকাব্যখনকে সন্দিকৈয়ে অনুবাদ কৰিছিল। কাব্যখনত পোন্ধৰটা সৰ্গ আছে। হনুমানে সীতাৰ সন্ধান কৰি লঙ্কাৰ পৰা উলটি অহাৰ পৰা ৰাৱণ বধলৈকে ৰামায়ণত থকা কাহিনীভাগৰ আধাৰত কাব্যখন ৰচনা কৰা হৈছে। সেইবাবেই প্ৰৱৰসেনৰ পুথিখনৰ আন এটা নাম হ'ল 'ৰাৱণবহ'। পুথিখনৰ ভালেমান টীকা পোৱা যায়। সন্দিকৈয়ে প্ৰকাশিত-অপ্ৰকাশিত সকলো টীকা যত্নৰে গোটাই সকলোবোৰ বিচাৰ কৰি সকলোৰে অৰ্থব্যুৎপত্তি গ্ৰহণ কৰিহে নিজৰ পুথিখন ৰচনা কৰিছিল। গভীৰ পাণ্ডিত্য অবিহনে এনে কাম অসম্ভৱ। চাকৰিৰ পৰা অৱসৰ হোৱাৰ পিছত এচোৱা দীঘলীয়া সময় আৰু শক্তি প্ৰয়োগ কৰি তেওঁ এই গ্ৰন্থখন ৰচনা কৰিছিল। প্ৰবৰ সেনৰ পুথিখনৰ অনুবাদৰ লগতে সন্দিকৈয়ে ইয়াত তুলনাত্মক বিশ্লেষণো আগবঢ়াইছে। যি আসাধাৰণ শ্ৰম আৰু নিৰলস সাধনাৰে তেওঁ ইমান এটা বৃহৎ কাম সমাপন কৰিছিল সেয়া সঁচা

অর্থতে আশ্চর্যৰ বিষয়। সংস্কৃত, পালি, প্রাকৃত আদি ভাষাত সমানে থকা দখলৰ বাবেই এয়া সম্ভৱ হৈছিল। পুথিখনৰ অসাধাৰণ ৰূপ দেখিয়েই বিখ্যাত পণ্ডিত সুনীতি কুমাৰ চট্টোপাধ্যায়ে 'মহৎ গ্রন্থ' বুলি অভিহিত কৰিছিল।

বিৰাট অধ্যয়ন আৰু অসীম জ্ঞানেই যাৰ পৰিচয় সেইজন সন্দিকৈয়ে অসমীয়া ভাষাত পুথি ৰচনা কৰা নাছিল। কিন্তু তেওঁৰ কেইটামান প্রবন্ধ একোখন পুথিৰ সদৃশ। ভালেকেইটা প্রবন্ধত কম পৰিসৰতে থুপাই থোৱা অশেষ জ্ঞান খুন্দ খাই আছে। ভাৰতীয় দর্শন, চিত্র কলা আদিৰ পৰা বিদেশী ভাষা-সাহিত্যলৈকে বিভিন্ন বিষয় সামৰি লোৱা প্রবন্ধসমূহে এহাতে যিদৰে সন্দিকৈৰ পাণ্ডিত্য আৰু অধ্যয়নৰ বিশাল ৰূপ প্রতিভাত কৰিছে। আনহাতে, তেনেদৰে পাঠককো কম কথাতে বিভিন্ন ধৰণৰ জ্ঞান লাভৰ সুযোগ দিছে। দীঘল পৰিসৰৰ 'ইউৰোপৰ ভাষা আৰু সাহিত্য' প্রবন্ধটো আচলতে কেইবাটাও প্রবন্ধৰ সমষ্টিৰ দৰে। ইয়াত তেওঁ উপশিৰোনাম দি ইউৰোপৰ কেইবাটাও ভাষা আৰু সাহিত্য বিষয়ক ভালেমান কথা আলোচনা কৰিছে।লেটিন ভাষাৰ পৰিচয়, অন্যান্য ভাষাৰ সৈতে এই ভাষাৰ সম্পর্ক, লেটিন ভাষাৰ ক্রমবিকাশ, লৌকিক লেটিন আৰু সাহিত্যিক লেটিন, লেটিন সাহিত্যৰ প্রকৃতি, ফৰাচী ভাষাৰ পৰিচয়, ফৰাচী ভাষাক চহকী আৰু বিশুদ্ধ কৰাৰ চেষ্টা, ফৰাচী সাহিত্যৰ প্রভাৱ, ইটালীয় ভাষাৰ পৰিচয়, এই ভাষাৰ সমস্যা আৰু সাহিত্য, স্পেনিচ ভাষাৰ পৰিচয় আৰু এই ভাষাৰ সাহিত্যৰ বিশেষত্ব, জার্মান ভাষা আৰু সাহিত্যৰ পৰিচয়, জার্মান ভাষাৰ ওপৰত বিদেশী প্রভাৱ আৰু এই প্রভাৱ দূৰ কৰাৰ চেষ্টা, জার্মান সাহিত্যৰ ইতিহাস, বৈশিষ্ট্য, ৰুছ ভাষাৰ ক্রমবিকাশ, প্রকৃতি, ৰুছ সাহিত্য আদি বিষয় ইয়াত অন্তর্ভুক্ত হৈছে।'গ্রীক্ ভাষা' শীর্ষক প্রবন্ধ কেৱল এক পৰিচয়মূলক আলোচনা নহয়। ইয়াত তেওঁ কম পৰিসৰতে যথেষ্ট গভীৰত প্রৱেশ কৰি গ্রীক্ ভাষাৰ ভাষাগত বৈশিষ্ট্য, ক্রমবিকাশ, ভাষাগত বেমেজালি, পৰিৱর্তন, লিপি, গ্রীক্ ভাষাৰ উপভাষালৈকে বিভিন্ন দিশ সামৰি আলোচনা আগবঢ়াইছে। 'জার্মেনিৰ জ্ঞান সাধনা', 'ৰুছ অভিনয়' আদি প্রবন্ধ আকৃতিত সৰু হ'লেও বিষয় বিশ্লেষণ অতি গভীৰ। এইসমূহতো পাঠকে বিভিন্ন জ্ঞান লাভৰ লগতে সন্দিকৈৰ মৌলিক দৃষ্টি আৰু বিশাল অধ্যয়নৰ আভাস পায়। 'জার্মেনিৰ জ্ঞান সাধনা'ত সন্দিকৈয়ে কৈছে— "শিক্ষা প্রণালী আৰু জ্ঞান-সাধনাৰ এটা পার্থক্য আছে। স্কুল-কলেজত যি শিক্ষা দিয়া হয় তাৰ উদ্দেশ্য হৈছে শিক্ষার্থীক জীৱনৰ কাৰণে উপযোগী কৰা। জ্ঞান সাধনা হৈছে এটা ব্রত, সি জীৱনৰে এটা বিশেষ ৰূপ।" প্রবন্ধটোৰ আন এঠাইত আকৌ কৈছে—"বৈজ্ঞানিক আলোচনাৰ দুটা প্রণালী— বিশ্লেষণ আৰু সংশ্লেষণ। এই দুটা প্রণালী জার্মেনিত যি বিৰাট আয়োজনেৰে প্রয়োগ কৰা হয় তাৰ তুলনা ইউৰোপৰ আৰু কোনো দেশত পোৱা নাযায়।" এনেবোৰ মন্তব্যই সন্দিকৈৰ বিদেশী ভাষা-সাহিত্যৰ অধ্যয়ন কিমান গভীৰ, সূক্ষ্ম আৰু এইসমূহৰ বিশ্লেষণ কিমান মৌলিক আছিল তাকে প্রমাণ দিয়ে। 53 পৃষ্ঠাজোৰা 'প্রাচীন বেবিলনৰ বেদ' প্রবন্ধটোক নিঃসন্দেহে এখন সুকীয়া পুথি বুলি ক'ব পাৰি।

পার্থক্য হ'ল পুথিৰ ৰূপত ই প্রকাশ হোৱা নাছিল। বেবিলনৰ ভৌগোলিক অৱস্থান, বেবিলন-এছিৰিয়ৰ চমু বুৰঞ্জী, বেবিলনীয় বুৰঞ্জীৰ লগত বেবিলনীয় বেদৰ সম্পর্ক, বেবিলনৰ বেদ বুলিলে আচলতে কি বুজা যায়, বেবিলনীয় বেদৰ বিষয়বিভাগ, ইয়াৰ বিভিন্ন মন্ত্র, স্তোত্র, গাথা, তুলনামূলক যাজ্ঞিক আলোচনাৰ আভাস, বেবিলনীয় সাহিত্যৰ বিস্তৃতি, বেবিলনীয় বেদৰ দেৱতামণ্ডলী, বেবিলনীয় বেদৰ ধর্ম, বেবিলনীয় বেদৰ ভাষা আৰু লিপি —এইসমূহ হ'ল প্রবন্ধটোৰ ভিতৰত সোমাই থকা উপশিৰোনাম। প্রতিটো বিষয়কে লৈ প্রবন্ধটোত তেওঁ বিস্তৃত আলোচনা কৰাৰ লগতে আনকি সম্পূর্ণ বিজ্ঞান-সন্মত পদ্ধতি অৱলম্বন কৰি সুদীর্ঘ এক প্রসঙ্গসূচী সন্নিৰিষ্ট কৰিছে। 'নৈষধচৰিত আৰু ভাৰতীয় চিত্র কলা', 'ভাৰতীয় চিন্তা', 'সাংখ্য দর্শন', 'অমৰ প্রকাশ' আদি প্রবন্ধৰ শিৰোনামৰ পৰাই এইসমূহৰ বিষয়বস্তুৰ ৰূপ কেনে গম্ভীৰ সেয়া উপলব্ধি কৰিব পাৰি। অর্থাৎ প্রাচীন গ্রীক্ নাটকৰ পৰা আৰম্ভ কৰি ভাৰতীয় দর্শন, চিত্র কলালৈকে সকলো বিষয়তে তেওঁ দৃঢ়তাৰে বিচৰণ কৰিব পাৰিছিল।

অনুবাদ সম্পর্কত তেওঁ ৰচনা কৰা 'অনুবাদৰ কথা' নামৰ প্রবন্ধটোত নিজস্ব স্বচ্ছ মত স্পষ্টভাৱে উপস্থাপন কৰিছে। বিশ্বসাহিত্যত বিৰাট দখল থকা সন্দিকৈয়ে পৃথিৱীৰ বিভিন্ন ভাষা, বিভিন্ন সাহিত্যৰ উদাহৰণ দাঙি ধৰি অনুবাদৰ বিভিন্ন দিশৰ বিষয়ে মৌলিক চিন্তা প্রবন্ধটোত সন্নিৰিষ্ট কৰিছে। অনুবাদৰ বিষয়ে সুকীয়া পুথি আদি ৰচনা নহ'লেও বস্তুনিষ্ঠ বিশ্লেষণসমৃদ্ধ প্রবন্ধটোৱে অনুবাদৰ এটা স্পষ্ট প্রণালী তুলি ধৰিছে। সন্দিকৈৰ দৃষ্টিত অনুবাদ এটা স্বতন্তৰীয়া সত্তা, স্বতন্তৰীয়া সাহিত্য। কাৰণ অনুবাদ প্রথমে সাহিত্য, তাৰ পিছতহে সি অনুবাদ। সেইদৰে অনুবাদকজনো মূলতঃ সাহিত্যিক। অনুবাদ যিহেতু সাহিত্য, সেয়েহে সাহিত্য হিচাপে থাকিবলগীয়া গুণসমূহ অনুবাদ পুথিত থকাটো ইয়াৰ প্রথম প্রয়োজন। অনুবাদৰ অৱলম্বন আৰু পদ্ধতি কেনে হোৱা উচিত, উৎস গ্রন্থৰ সৈতে অনুবাদকৰসম্পর্ক, মূল আৰু অনুবাদ গ্রন্থৰ দূৰত্ব, মূলৰ ভাষা সম্পর্কীয় জ্ঞান আদি কেইবাটাও গুৰুত্বপূর্ণ দিশ সামৰি তেওঁ 'অনুবাদৰ কথা'ত বিষয়সমূহ তুলি ধৰাৰ যত্ন কৰিছে।প্রথমেই সন্দিকৈয়ে অনুবাদক দুর্বল সাহিত্যৰ উত্থানৰ এটা পথ হিচাপে দেখুৱাব বিচাৰিছে। তেওঁৰ দৃষ্টিত মৌলিক সাহিত্য সদায়েই উচ্চ স্তৰৰ। "সাহিত্যৰ সাহিত্যতা আৰু তাৰ প্রকৃত গৌৰৱ নিশ্চয় অনুবাদৰ ওপৰত নির্ভৰ নকৰে, নির্ভৰ কৰে মৌলিক ৰচনাৰ ওপৰত।" কিন্তু দুর্বল সাহিত্যৰ বিকাশৰ বাবে অনুবাদ এটা উৎকৃষ্ট পথ। আনকি জ্ঞান, শিক্ষা আৰু আদর্শৰ কাৰণে উন্নত সাহিত্যসমূহৰ সমৃদ্ধিশালী অৱস্থাতো অনুবাদ অবিৰামভাৱ চলি থকাৰ কথা উল্লেখ কৰি তেওঁ অনুবাদৰ গুৰুত্ব প্রতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে।সন্দিকৈয়ে স্বীকাৰ কৰে যে অনুবাদ এটা অতি জটিল কাম। কোনো এক অনুবাদৰ বাবে অতি প্রয়োজনীয় প্রথম স্তৰটো হ'ল গ্রন্থ নির্বাচন। তেওঁৰ মতে উপযোগিতা বিচাৰ কৰিহে অনুবাদকে অনুবাদৰ বাবে গ্রন্থ নির্বাচন কৰিব লাগে। যিসমূহ গ্রন্থৰ অনুবাদে অনুবাদ কৰিবলৈ লোৱা ভাষাটোৰ সাহিত্যৰ সমৃদ্ধিত

সহায় কৰে তেনে পুথিহে অনুবাদৰ বাবে বাছি লোৱা উচিত। একেজন সাহিত্যিকৰে সকলো ৰচনা সমান মানদণ্ডৰ নহয়। তাৰ ভিতৰত শ্ৰেষ্ঠখন অনুবাদৰ বাবে নিৰ্বাচন কৰি লোৱাৰ ক্ষমতা অনুবাদকৰ থকা দৰকাৰ। অসমীয়া সাহিত্যৰ অনুবাদ সম্পৰ্কত তেওঁৰ ক'বলগা মূল কথাখিনি হ'ল— "আমাৰ ভৱিষ্যত অনুবাদ মুঠতে দুভাগত বিভক্ত হ'ব। এভাগ সুকুমাৰ সাহিত্যৰ, ইভাগ তথ্যমূলক শিক্ষাপ্ৰচাৰী সাহিত্যৰ। দাৰ্শনিক অনুবাদ ত্ৰিশঙ্কু ৰজাৰ দৰে মাজতে থাকিব।প্ৰথম ভাগত গল্প, উপন্যাস, নাটক আদিৰ অনুবাদেই প্ৰধান হ'ব। কাব্য অনুবাদ অতি কম পক্ষেহে সম্ভৱপৰ। দ্বিতীয় ভাগত বিদেশী ভাষাত বিবিধ বিষয়ত লিখা সৰল, সহজ, অথচ প্ৰমাণ্যমূলক কিতাপৰ ভাঙনি থাকিব।" সন্দিকৈয়ে পুথিৰ প্ৰকৃতি বা ধৰণ অনুসৰি অনুবাদো ভিন্ন ৰীতিৰ হোৱাৰ পোষকতা কৰে। "প্ৰত্যেক অনুবাদকে মূল গ্ৰন্থৰ বিশেষত্ব অনুসৰি নিজৰ প্ৰণালী থিৰ কৰি ল'ব লাগিব" বুলি কৈ তেওঁ অনুবাদকৰ দায়িত্ব বৃদ্ধি কৰিছে।

সন্দিকৈয়ে বিস্তৃতভাৱে বিভিন্ন দিশৰ সাহিত্য ৰচনা কৰা নাছিল। কিন্তু অতি কম পৰিসৰত যিকেইটা নিৰ্দিষ্ট বিষয়ত কলম ধৰিছিল সেই সকলোতেই এনে ধৰণৰ গভীৰ চিন্তা আৰু মৌলিক দৃষ্টিভঙ্গীৰ স্বাক্ষৰ বিদ্যমান। তদুপৰি অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণখনি এখন পুথিতকৈ কোনো গুণে কম নহয়। সাহিত্য সম্পৰ্কীয় ভালমান মৌলিক চিন্তা ইয়াত অন্তৰ্ভুক্ত হৈছে। "ব্যক্তিগত প্ৰতিভা আৰু ক্ষমতাৰ বাহিৰেও পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত সাহিত্যৰ বিকাশ অনেক পৰিমাণে নিৰ্ভৰ কৰে। জীৱনৰ অভিজ্ঞতাৰ লগত সাহিত্যৰ অতি ঘনিষ্ঠ সম্বন্ধ। অভিজ্ঞতাৰ গাম্ভীৰ্য আৰু বৈচিত্ৰ্য নহ'লে সজীৱ স্পন্দনপূৰ্ণ সাহিত্যৰ সৃষ্টি হ'ব নোৱাৰে। বাস্তৱতে সাহিত্য এটা বিৰাট অভিজ্ঞতা। ব্যক্তিগত আৰু সামাজিক সকলো প্ৰকাৰ অভিজ্ঞতাৰ প্ৰকাশৰ থল হৈছে সাহিত্য।"এনেদৰে সাহিত্যৰ বাবে জীৱনৰ অভিজ্ঞতাৰ প্ৰয়োজনীয়তাৰ কথা ব্যাখ্যা কৰিও সাহিত্যৰ কলাগুণৰ প্ৰতি লক্ষ্য কৰি তেওঁ আকৌ কৈছে— "অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত হ'লেও সাহিত্য বাস্তৱতে অভিজ্ঞতাৰ কেটেলগ বা যাদুঘৰ নহয়। নিৰ্বাচন কৌশল, কল্পনা আৰু ৰীতিৰ সহায়েৰে অভিজ্ঞতাৰ কেঁচা সঁজুলি গঢ়ি-পিতি ল'লেহে প্ৰকৃত সাহিত্যৰ সৃষ্টি হয়।" সমাজ আৰু সাহিত্যৰ সম্বন্ধ তথা সাহিত্যৰ প্ৰয়োজনীয়তা ব্যাখ্যা কৰি তেওঁ কৈছে— "সাহিত্য আৰু সমাজ এটা ঘনিষ্ঠ সম্বন্ধত পৰস্পৰ সংশ্লিষ্ট হৈ আছে।সাহিত্যহীন সমাজ পঙ্গু আৰু বৰ্বৰ আৰু সমাজৰ লগত সম্পৰ্ক নথকা সাহিত্য ক্ষীণ আৰু দুৰ্বল।" সাহিত্যত আদৰ্শৰ স্থান কেনে ধৰণৰ সেই সম্পৰ্কত তেওঁৰ মন্তব্য হ'ল— "উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত জীৱনব্যাপী সাধনা নহ'লে ওখ খাপৰ সাহিত্যৰ সৃষ্টি হোৱা টান।"

সাহিত্য সম্পৰ্কীয় এই গোটেই কথাবোৰে বিষয়টো সম্পৰ্কে তেওঁৰ মনত থকা নিজা এক স্পষ্ট আদৰ্শ প্ৰতিষ্ঠিত কৰিছে। সাহিত্য সভাৰ সভাপতিৰ অভিভাষণখন তেওঁ অতি দীঘল কৰা নাই। অথচ তাৰ মাজতে সংযত আৰু সংহতভাৱে এনেবোৰ

সাহিত্য সম্পৰ্কীয় গুৰুত্বপূৰ্ণ চিন্তা তুলিধৰিবলৈ সমৰ্থ হৈছে। তেওঁৰ অসম ছাত্ৰ সন্মিলনৰ সভাপতিৰ অভিভাষণখনিও ভালেমান সাৰগৰ্ভ কথাৰ ভঁৰাল। এইসমূহৰ উপৰিও তেওঁ পুথিৰ পাতনি, টোকা, গান, কবিতা আৰু শিশুসাহিত্য আদি ৰচনা কৰিছিল। কেইবাখনো পুথিৰ সমালোচনামূলক আলোচনা, ভূমিকা আদিয়ে তেওঁৰ চিন্তাৰ স্বচ্ছ ৰূপপ্ৰতিফলিত কৰিছে। কম পৰিসৰতে এইসমূহত সন্দিকৈয়ে দেশী-বিদেশী ভাষা-সাহিত্যৰ প্ৰসঙ্গ উল্লেখ কৰি গভীৰ বিশ্লেষণ আগবঢ়াইছে। তেওঁৰ জীৱনীমূলক ৰচনাকেইখন, বিবিধ টোকা আৰু চিঠিসমূহৰ জৰিয়তেও তেওঁৰ চিন্তা, জ্ঞান, প্ৰতিভাৰ উমান পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কৃষ্ণকান্ত সন্দিকৈয়ে ৰচনা কৰা পুথিসমূহৰ বিষয়ে এটি আলোচনা আগবঢ়াওক। (200টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ২ ঃ কৃষ্ণকান্ত সন্দিকৈৰ সাহিত্যসম্ভাৰৰ বিষয়ে এটি প্ৰবন্ধ লেখক। (300টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৩ ঃ সাহিত্য আৰু অনুবাদ সম্পৰ্কে কৃষ্ণকান্ত সন্দিকৈৰ চিন্তা আৰু আদৰ্শ কেনে ধৰণৰ বহলাই আলোচনা কৰক। [150টা শব্দৰ ভিতৰত)



জানি থোৱা ভাল

- সন্দিকৈয়ে ইংৰাজী ভাষাত ভালেমান জটিল বিষয়ৰ প্ৰবন্ধ লিখিছিল। সেইসমূহৰ ভিতৰত 'ক্লাচিকেল সংস্কৃত এজ্ এ ভে'হিকল অফ ইণ্ডিয়ান কালচাৰ', জাৰ্মান একাডেমিক আইডিয়েলচ্, এন ইণ্ডিয়ান প্ৰিন্স ইন্ এ গ্ৰীক্ ৰোমান্স, চিত্ৰ ভাগৱতৰ পাতনি আদিৰ নাম ল'ব পাৰি।
- 'ইউৰোপৰ ভাষা আৰু সাহিত্য', 'গ্ৰীক্ ভাষা', 'জাৰ্মেনিৰ জ্ঞান সাধনা', 'প্ৰাচীন বেবিলনৰ বেদ', 'নৈষধচৰিত আৰু ভাৰতীয় চিত্ৰকলা', 'অনুবাদৰ কথা' আদি সন্দিকৈয়ে অসমীয়া ভাষাত ৰচনা কৰা গুৰুত্বপূৰ্ণ প্ৰবন্ধ।

১০.৪ মূল পাঠৰ আলোচনা

'গ্ৰীক্ নাটকৰ গান' প্ৰবন্ধত সন্দিকৈয়ে খ্ৰীঃপূঃ পঞ্চম-চতুৰ্থ শতিকাত গ্ৰীক্ ভাষাত ৰচিত হোৱা একশ্ৰেণীৰ নাটকৰ প্ৰকৃতি আৰু সেই নাটকসমূহৰ প্ৰেৰণা আৰু প্ৰভাৱত পৰৱৰ্তী সময়ত ৰচিত হোৱা সাহিত্যৰ বিষয়ে চমু আলোকপাত কৰিছে। উল্লিখিত গ্ৰীক্ নাটকসমূহত ব্যৱহৃত গানসমূহৰ বিষয়বস্তু, শ্ৰেণী, পৰিৱেশন ৰীতি, সাঙ্গীতীক দিশ আদি সম্পৰ্কে প্ৰবন্ধটোত বিস্তৃতভাৱে আলোচনা আগবঢ়াইছে।

১০.৪.১ গ্রীক্ ট্রেজেডি আৰু গ্রীক্ নাটকৰ গান

খ্রীঃপূঃ পঞ্চম-চতুর্থ শতিকাত গ্রীক্ ভাষাত এক ধৰণৰ বিশেষ নাটক ৰচিত হৈছিল। গীতিছন্দত ৰচনা কৰা এই নাট্যকাব্যসমূহক ট্রেজেডি বা শোকনাটক হিচাপে জনা যায়। উৎস বিচাৰ কৰিলে দেখা যায় যে ধর্মীয় ক্রিয়া-কাণ্ডৰ পৰাই এই গ্রীক্ ট্রেজেডিৰ উদ্ভৱ হৈছে। সুৰা আৰু আনন্দৰ দেৱতা ডিয়নিছাছৰ উৎসৱত যি নাচ-গান হৈছিল তাৰ পৰাই ক্রমবিকাশ হৈ গ্রীক্ ট্রেজেডিৰ উদ্ভৱ হৈছে। এই ট্রেজেডিসমূহ পদ্যত লিখা আৰু ইহঁতৰ পৰিসৰ আছিল সৰু। এই সৰু সৰু নাট্যকাব্যসমূহৰ কোনো অঙ্ক বা গর্ভাঙ্ক বিভাজন নাছিল। একোখন নাটকত প্রায় বাৰশ পোন্ধৰশ শাৰী থাকে। এই ট্রেজেডিসমূহৰ এটা প্রধান অঙ্গ হ'ল গান। গানবিলাক নাটকত জাপি দিয়া ওপৰুৱা সামগ্রী নহয়। ই নাটকৰ অন্তৰঙ্গ সম্পদ বা উপাদান। বহুসময়ত আনকি নাটকৰ কথোপকথনো গীতৰ মাধ্যমেৰেই আগু�ৱাই নিয়ে। গ্রীক্ ট্রেজেডিৰ গানৰ সু�ৰৰ বিষয়ে একো জনা নাযায়। কবিত্বৰ বলতহে গ্রীক্ নাটকৰ গানে বিশ্ব সাহিত্যত উচ্চ স্থান অধিকাৰ কৰিছে। প্রকৃতার্থত কবিত্ব নাথাকিলে কেৱল সুৰৰ বলত কোনো গানেই স্থায়ী মর্যাদা লাভ কৰিব নোৱাৰে। ইউৰোপীয় ৰঙ্গমঞ্চৰ অপেৰাবিলাকেই ইয়াৰ উদাহৰণ।

১০.৪.২ গ্রীক্ শোকনাটকৰ গানৰ শ্রেণী বা প্রকাৰ

সাধাৰণতে এই নাটকসমূহত কেইবা ধৰণৰ গান ব্যৱহাৰ কৰা হয়। কেউটা ভাগৰ গীতৰ পৰিৱেশন ৰীতিৰো সুকীয়া বৈশিষ্ট্য আছে। গ্রীক্ শোকনাটকৰ গানসমূহ হ'ল—

ক) ক'ৰাছ বা সমস্বৰ গান
খ) কম্মছ
গ) ৰঙ্গমঞ্চৰ গান
ঘ) মনডি

- **ক'ৰাছ ঃ** ৰঙ্গমঞ্চৰ আগত এডোখৰ বিশেষ মুকলি ঠাইত ক'ৰাছসমূহ গোৱা হৈছিল। এইবিশেষ ঠাইডোখৰক অর্কেষ্ট্রা বুলি কোৱা হয়।সাধাৰণতে পোন্ধৰজনমান গায়কে মিলি বিভিন্ন বেশেৰে বাঁহীৰ সুৰত এই গীতসমূহ গাইছিল আৰু নাচিছিল। কেতিয়াবা কেতিয়াবা ক'ৰাছে অর্কেষ্ট্রাৰ পৰা সন্মুখৰ ৰঙ্গমঞ্চৰ ভাৱৰীয়াৰ সৈতে কথা পাতে। ভাৱৰীয়াই সাধাৰণ পদ্যছন্দত আৰু ক'ৰাছে গীতিছন্দত কয়। ক'ৰাছৰ গায়কসকলে বেছিভাগ সময়তে কুমাৰীৰ বেশত গীত গাইছিল। অৱশ্যে কোনো নাটকত তেওঁলোকে বুঢ়াৰ ৰূপ আৰু কেতিয়াবা ৰাজ্যৰ মন্ত্রী পৰিষদৰ বেশ ধৰি লৈছিল।
- **কম্মছ ঃ** কেতিয়াবা ভাৱৰীয়া আৰু ক'ৰাছ দুয়ো গীতিছন্দত কথোপকথন কৰে। অর্থাৎ তেওঁলোকে গীতেৰে কথাবার্তা কৰে। এইসমূহ গ্রীক্ নাটকৰ কথোপকথন-মূলক গীতকে কম্মছ গান বোলে।গ্রীক্ নাটকত কম্মছ গানৰ যথেষ্ট ব্যৱহাৰ আছে।

- **ৰঙ্গমঞ্চৰ গানঃ** কেতিয়াবা আকৌ ৰঙ্গমঞ্চৰ দুজন ভাৱৰীয়াই এজনৰ পিছত এজনে গানেৰে কথা কয়। এনে গানক ৰঙ্গমঞ্চৰ গান বোলে। ক'ৰাছৰ লগত ইয়াৰ পার্থক্য হ'ল— অর্কেষ্ট্রা বোলা এডোখৰ বিশেষ ঠাইত গায়কৰ দলে ক'ৰাছ গীত গায়। কিন্তু ৰঙ্গমঞ্চৰ গান ভাৱৰীয়াই মঞ্চতহে গায়। অনুভূতি আৰু আৱেগৰ ভৰ বেছি হ'লে দুজন ভাৱৰীয়াই এনেদৰে গানৰ জৰিয়তে মনৰ ভাব প্রকাশ কৰে। ৰঙ্গমঞ্চৰ গান চলি থকাৰ সময়ত ক'ৰাছ নিমাতে থাকে। ইউৰিপিডিছৰ হেকুৰা নাটকত থকা ৰঙ্গমঞ্চৰ গানবোৰ অতি কৰুণ আৰু মর্মভেদী।
- **মনডি ঃ** ভাৱৰীয়াই অকলে গোৱা গাথাক মনডি বোলে। বহু সময়ত নাটকৰ ভাৱৰীয়াৰ মনৰ দুখ বেছি গভীৰ হ'লে বা হৃদয় ভাবেৰে থৌকিবাথৌ হ'লে স্বতঃস্ফূর্তভাৱে এনে ধৰণৰ গানেৰে নিজৰ উক্তি প্রকাশ কৰে।প্রকৃতার্থত তেওঁলোকে মনৰ আৱেগ-অনুভৱ সূক্ষ্মভাৱে প্রকাশ কৰিবৰ বাবেই সঙ্গীতৰ সহায় লয়। ইউৰিপিডিছৰ নাটকত মনডি বেছিকৈ পোৱা যায়। তেওঁৰ 'ইয়ন' নাটকৰ মনডিৰ দৰে কোমল আৰু মধুৰ মনডি কমেইহে দেখা যায়। নাটকখনত ডেকা পুৰোহিত ইয়নে ৰাতিপুৱা মন্দিৰ পৰিষ্কাৰ কৰোঁতে নিজৰ অনিশ্চিত জীৱনৰ কথা বর্ণাই দেৱতাৰ স্তুতিগীত গাইছে। তদুপৰি গীতটোত তেওঁ চৰাইবিলাকক সম্বোধন কৰি মন্দিৰত নোসোমাবলৈ সকিয়নি দিছে।ছফক্লিছৰ এখন নাটকত প্রৱলপ্রতাপী বীৰ আজাক্চে মাৰাত্মক অপযশৰ পৰা হাত সাৰিবলৈ আত্মহত্যা কৰিবলৈ লয়। এই কার্যৰ আগেয়ে তেওঁৰ হৃদয়ৰ মর্মস্পর্শী উক্তিবোৰ মনডিৰ জৰিয়তে প্রকাশ কৰিছে।

১০.৪.৩ গ্রীক্ নাটকত ক'ৰাছৰ প্রাধান্য আৰু গুৰুত্ব

গ্রীক্ নাটকৰ আটাইসমূহ গানৰ ভিতৰত ক'ৰাছ অতি গুৰুত্বপূর্ণ। সকলো ট্রেজেডিতে এইবিধ গীতৰ প্রয়োগ আছে। কম্মছো প্রায়বোৰ নাটকতে পোৱা যায়। কিন্তু মনডি আৰু ৰঙ্গমঞ্চৰ গান সকলো নাটকত সন্নিৱিষ্ট হোৱা নাই।ট্রেজেডিত ক'ৰাছৰ প্রাধান্যৰ সৈতে ঐতিহাসিক কাৰণ জড়িত হৈ আছে। ডিয়নিছাছৰ উৎসৱত যিহেতু ক'ৰাছৰ বিশেষ প্রাধান্য আছিল সেয়েহে সেই উৎসৱৰ পৰাই বিকাশ হোৱা ট্রেজেডিতো এইসমূহ গীতেই বিশেষ গুৰুত্ব লাভ কৰিলে, কাৰণ মানুহৰ গভীৰ অনুভূতি আৰু থৌকিবাথৌ ভাববোৰ প্রকাশ কৰিবৰ কাৰণে গীতেই হৈছে আটাইতকৈ উৎকৃষ্ট মাধ্যম। গ্রীক্ ট্রেজেডিৰ এই গীতসমূহ কেৱল অনুভৱৰ বিলাসবহুল প্রকাশ নহয়। ভাবৰ বৈচিত্র্য, অনুভূতিৰ গাম্ভীর্য আৰু ভাষাৰ চঞ্চল ৰূপে গীতসমূহক এনে অনন্য কৰি তুলিছিল যে এইসমূহৰ তুলনা সমগ্র বিশ্বসাহিত্যতে পাবলৈ নাই। এস্কিলাছ, ছফক্লিছ আদি নাট্যকাৰ-সকলে এনে উচ্চগুণযুক্ত গীত ৰচনাৰ ক্ষেত্রত গ্রীক্ ভাষাৰ স্বাভাৱিক মাধুর্য তেওঁলোকৰ বাবে বিশেষভাৱে সহায়ক হৈ উঠিছিল।

ক'ৰাছৰ উদ্দেশ্য ঃ ক'ৰাছৰ প্ৰধান উদ্দেশ্য হৈছে—

ক) নাটকৰ ঘটনাবিলাকৰ ওপৰত মন্তব্য প্ৰকাশ কৰা।

খ) নায়কৰ ভাগ্য বিপৰ্যয়ত সহানুভূতি জ্ঞাপন কৰা।

গ) জীৱনৰ ডাঙৰ ডাঙৰ সমস্যা আৰু ভাগ্যৰ গতি-প্ৰকৃতিৰ বিষয়ে নিজৰ অভিমত কবিত্বপূৰ্ণ ভাষাত সঙ্গীতময়ভাৱে সুৰেৰে প্ৰকাশ কৰা।

জাৰ্মান নাট্যকাৰ ছিলাৰে তেওঁৰ এখন নাটকৰ পাতনিত গ্ৰীক্ ক'ৰাছৰ স্বৰূপ আৰু উদ্দেশ্য এনেদৰে বৰ্ণনা কৰিছে— "ক'ৰাছে নাটকৰ ঘটনাৱলীৰ সঙ্কীৰ্ণ ক্ষেত্ৰ এৰি অতীত আৰু ভৱিষ্যতৰ বিষয়ে, দূৰণিৰ যুগ আৰু জাতিৰ বিষয়ে আৰু মানৱ জাতি সম্পৰ্কীয় সকলো কথা লৈ আলোচনা কৰে। ক'ৰাছে জীৱনৰ ফলাফল নিৰ্ণয় কৰে আৰু জ্ঞানৰ শিকলি প্ৰচাৰ কৰে।"

১০.৪.৪ গ্ৰীক্ নাটকৰ গীতৰ বিভিন্ন দিশ

গ্ৰীক্ নাটকৰ গান অতি আকৰ্ষণীয়। ইয়াৰ বিভিন্ন দিশসমূহৰ আলোচনা এই অধ্যায়টোত কৰা হৈছে।

- **গ্ৰীক্ নাটকৰ গীতত মাধুৰ্য আৰু গাম্ভীৰ্য ঃ** গানত মাধুৰ্যৰ আতিশৰ্য হ'লে তাত গাম্ভীৰ্য নোহোৱা হয়। আনহাতে, প্ৰয়োজনাধিক গাম্ভীৰ্যয়ো গীতৰ মাধুৰ্য বা কোমলতাত আঘাত কৰে। কিন্তু গ্ৰীক্ নাট্যকাৰসকলে এই সকলোবোৰ দিশৰ ভাৰসাম্য ৰাখিহে ট্ৰেজেডিত গীতসমূহ প্ৰয়োগ কৰিছিল। গ্ৰীক্ নাটকৰ ক'ৰাছবিলাক অতি গাম্ভীৰ্যপূৰ্ণ অথচ মাধুৰ্য আৰু লালিত্যৰে ভৰা। এস্কিলাছৰ 'পাৰস্যবাসী' নাটকত ৰাজমন্ত্ৰী বেশী গায়কদলে প্ৰৱেশ কৰি গ্ৰীচ জয় কৰিবলৈ যোৱা পাৰস্যবাহিনীৰ যুদ্ধযাত্ৰাৰ বৰ্ণনা আৰু সৈন্যসকলে ঘৰত এৰি থৈ যোৱা বিৰহিণীসকলৰ শোকৰ বৰ্ণনা দুয়োটাকে তুলি ধৰিছে। ইয়াৰ প্ৰথমটোত গাম্ভীৰ্যই আৰু আনটোত মাধুৰ্যই প্ৰাধান্য লাভ কৰিছে। যুদ্ধত সৈন্যসকলৰ পৰাজয়ৰ পিছত এই অতৃপ্ত বিৰহিণী-সকলৰ বুকুৰ কান্দোনক তুলি ধৰা গানসমূহ অতি মনোৰম প্ৰসাদ গুণযুক্ত। গ্ৰীক্ ভাষা মধুৰ আৰু ক্ষীপ্ৰগামী। ভাষাৰ এই গতিময় ৰূপে গানসমূহক মাধুৰ্য আহৰণত সহায় কৰিলে।
- **গ্ৰীক্ নাটকৰ গানত স্বদেশপ্ৰেম ঃ** গ্ৰীক্ নাটকত স্বদেশপ্ৰেমৰ সুৰো গভীৰভাৱে ধ্বনিত হোৱা দেখা গৈছে। ইউৰিপিডিছে তেওঁৰ নাটকত স্বদেশৰ কাৰণে জীৱন দানৰ চিত্ৰ আঁকিছে। ছফক্লিছে তেওঁৰ এখন নাটকৰ ক'ৰাছত এথেন্সৰ ওচৰৰ কলনাছ নগৰৰ যি চিত্ৰ আঁকিছে সেয়া সমগ্ৰ গ্ৰীক্ সাহিত্যৰে বিখ্যাত সৃষ্টি। ছফক্লিছৰ আন এখন নাটকৰ ক'ৰাছত গ্ৰীচদেশৰ কেফিছাছ নৈৰ কথা সন্নিৱিষ্ট হৈছে এনেদৰে— "মানুহে কয়, ৰম্য সলিল কেফিছাছৰ পানী তুলিবলৈ জুৰ বতাহৰ মৃদু মধুৰ নিশ্বাসৰ সুৰৰ লগে লগে এই দেশলৈকে প্ৰণয়ৰ দেৱী পাল মেলি আহিছিল। কেশপাশত

গোলাপৰ সুৰভি মালা গাথি কলাবিদ্যাৰ সহচৰ আৰু সকলো সুগুণৰ লগৰীয়া প্রেমৰ অধিষ্ঠাতা দেৱকুমাৰৰ দলকো সঙ্গী কৰি আনিছিল।" ছফক্লিছৰ আন এখন নাটকৰ ক'ৰাছ গোৱাসকল এদল গ্রীক্ নাবিক। বহুদিন ধৰি ট্রয় যুদ্ধত শ্রান্ত-ক্লান্ত হৈ অহা নাবিকসকলে স্বদেশৰ স্মৃতি ৰোমন্থনৰ লগতে নিজ দেশলৈ উলটি যোৱাৰ হেঁপাহ মধুৰ অথচ অৱশ সুৰেৰে গানসমূহত প্রকাশ কৰিছে।

- **গ্রীক্ নাটকৰ গানত সাগৰৰ ৰূপ ঃ** গ্রীক্ কাব্যনাটসমূহৰ লগত সাগৰৰ সঙ্গীত জড়িত হৈ আছে। ইউৰিপিডিছৰ এখন নাটকত এদল কুমাৰীৰ ক'ৰাছে গাইছে— 'কুৱানেয়াই কুৱানেয়াই ছুনদয় থালাছ্ছাছ'। অর্থাৎ— 'সুনীল সুনীল সাগৰৰ বাটপথ'। এই গীতটোত সাগৰযাত্রীৰ ভাগ্যবৈচিত্র্যৰ কথা সন্নিৰিষ্ট হৈছে। ছফক্লিছে তেওঁৰ আন এখন নাটকৰ ক'ৰাছতো সাগৰৰ ভয়াৱহ ৰূপ তুলি ধৰিছে।
- **গ্রীক্ নাটকৰ গানত সামাজিক সমস্যা ঃ** জীৱন আৰু ভাগ্য পৰিণতিৰ চিত্র দেখি মনত উদয় হোৱা ভাবকে ক'ৰাছে প্রকাশ কৰে যদিও এইসমূহে সামাজিক সমস্যাৰ পৰাও দূৰৈত গৈ অৱস্থান কৰা নাই। কোনো কোনো গ্রীক্ নাটকত সামাজিক বিষয়কেন্দ্রিক প্রশ্নবো অৱতাৰণা কৰা হৈছে।স্ত্রী সমস্যা,ৰাষ্ট্রীয় সমস্যা আদি বিষয়ো আনকি ক'ৰাছে সামৰি লৈছে। এখন গ্রীক্ নাটকত স্বামীয়ে পত্নীক এৰি যেতিয়া আন এগৰাকী ভার্যা গ্রহণ কৰিছে তেতিয়া তিৰোতাসকলে ক'ৰাছত ইয়াৰ প্রতিবাদ কৰিছে— 'আন্দ্রাছি মেন ডলিয়ায় বোলায়'। অর্থাৎ—'পুৰুষৰ মন কপটেৰে ভৰা'। কৰাছত কোৱা হৈছে যে এতিয়াৰ পৰা কেৱল মহিলাসকলকে কোনেও দোষী নকৰে। প্রাচীন কালৰে পৰা পুৰুষ কবিসকলে তিৰোতাৰ বিশ্বাসঘাতকতাৰ কথাহে বর্ণনা কৰি গাইছে। কিন্তু মহিলাসকলৰো পুৰুষ সম্পর্কে বহু ক'ব লগা কথা থাকে। মহিলাসকলৰ কবিত্ব শক্তিৰ অভাৱৰ বাবেহে সেয়া প্রকাশ নাপায়। বিশ্ব সাহিত্যত স্ত্রী সমস্যাৰ এয়া প্রথম সূত্রপাত।

আনহাতে, এস্কিলাছৰ এখন নাটকৰ ক'ৰাছত ৰাষ্ট্র এখন ন্যায়পৰায়ণ হৈ চলিবলৈ হ'লে ভয়ৰ বান্ধোনৰ আৱশ্যকতাৰ কথা কোৱা হৈছে। উশৃঙ্খল শাসন আৰু স্বেচ্ছাচাৰী শাসন দুয়োটাই ৰাষ্ট্রৰ বাবে ক্ষতিকাৰক। ভয়ৰ বান্ধোন নাথাকিলেই ৰাষ্ট্র স্বেচ্ছাচাৰী স্বভাৱৰ হয়। ক'ৰাছত তাকেই বুজোৱা হৈছে।



চিন্তা-চর্চা কৰক - ১০.১

প্রাচীন গ্রীক্ ট্রেজেডিৰ গানসমূহত কেনে ধৰণৰ বিষয়বস্তু সন্নিৱেশ কৰা হৈছিল সেই বিষয়ে এটি টোকা প্রস্তুত কৰক।

১০.৪.৫ গ্রীক্ ট্রেজেডিৰ অনুকৰণ আৰু প্রভাৱ

গ্রীক্ ট্রেজেডিৰ হুবহু অনুকৰণ কৰি নাটক লিখাৰ প্রচেষ্টা আধুনিক ইউৰোপীয় সাহিত্যতো বিদ্যমান। এইসমূহ কবিত্ব গুণত সুন্দৰ হ'লেও নাটকসমূহ আধুনিক ৰঙ্গমঞ্চৰ উপযোগী নহয়। ওঠৰ শতিকাৰ প্রতিভাশালী জার্মান নাট্যকাৰ ছিলাৰে তেওঁৰ 'মেছিনাৰ কুমাৰী' নাটকত গ্রীক্ ট্রেজেডিৰ অবিকল অনুকৰণ কৰিছিল। কিন্তু গ্রীক্ ট্রেজেডিৰ মূল ভাব ইয়াত ৰক্ষিত হোৱা-নোহোৱাক লৈ বিতর্ক আছে। অৱশ্যে ইয়াৰ ক'ৰাছসমূহ কবিত্ব আৰু কল্পনাৰে ভৰপূৰ। আধুনিক সাহিত্যিক মেথিউ আর্ণল্ড আৰু ছুইনবার্ণে গ্রীক্ ট্রেজেডি অনুকৰণ কৰিবলৈ বিশেষ চেষ্টা কৰিছিল। ছুইনবার্ণৰ 'আটলান্টা' আৰু 'ইৰেক্থিয়াছ' নাটকৰ ক'ৰাছ অতিশয় কলাগুণযুক্ত আৰু কবিত্বপূর্ণ। নাটক হিচাপে 'আটলাণ্টা'ৰ মৌলিক সৌন্দর্যও আছে। কিন্তু ই গ্রীক্ ট্রেজেডিৰ দৰে হোৱা নাই। কিন্তু তেওঁৰ 'ইৰেক্থিয়াছ' সম্পূর্ণ গ্রীক্ আর্হিত লিখা নাটক। দুয়োখন নাট্যকাব্যই ৰঙ্গমঞ্চ উপযোগী নহয়। গ্রীক্ ট্রেজেডি কিন্তু কেৱল সাহিত্যগুণতে শক্তিশালী নহয়, এইসমূহ মঞ্চ উপযোগীও।

আধুনিক নাট্য সাহিত্যৰ ক'ৰাছৰ মূলতেও হ'ল প্রাচীন গ্রীক্ ক'ৰাছ। কিন্তু গ্রীক্ ট্রেজেডিত নাটকখনৰ লগত ক'ৰাছৰ যিটো একাত্ম সম্বন্ধ আধুনিক নাটকত তেনে নহয়। আধুনিক নাটকৰ ক'ৰাছ বহুত গায়ক-গায়িকাই মিলি গোৱা স্বতন্ত্র সমস্বৰ গান। নাট্যকাৰৰ প্রতিভা অনুসৰি আধুনিক ক'ৰাছতো কবিত্ব আৰু সৌন্দর্যৰ সমাহাৰ ঘটে। ইটালীয় নাট্যকাৰ টাচ্ছোৰ নাটকৰ ক'ৰাছ যিদৰে সৌন্দর্যৰে ভৰপূৰ, সেইদৰে সোতৰ শতিকাৰ ফৰাছী নাট্যকাৰ ৰাছিনৰ নাটকৰ ক'ৰাছ সুন্দৰ কবিত্বপূর্ণ ৰচনাৰীতিৰ বাবে জনাজাত। জার্মান নাটক 'ফাউষ্ট'তো ক'ৰাছৰ প্রয়োগ সুন্দৰ। ইংৰাজী সাহিত্যত বেন্ জনছনে নাটকত ক'ৰাছ দিছে যদিও সেয়া নীৰস। অৱশ্যে টমাছ্ হার্ডি আৰু গীতিকবি শ্যেলীৰ নাট্যকাব্যত থকা ক'ৰাছসমূহ কবিত্ব গুণত চমৎকাৰ। কিন্তু এই নাট্যকাব্যসমূহৰ ৰঙ্গমঞ্চৰ সৈতে কোনো সম্পর্ক নাই। এনেবোৰ কথাৰ বাবেই এলিজাবেথ যুগীয় ইংৰাজ সাহিত্যিক বেন্ জনছনে গ্রীক্ নাটকৰ ক'ৰাছ কোনেও অনুকৰণ কৰিব পৰা নাই বুলি উল্লেখ কৰিছে।

১০.৪.৬ গ্রীক্ নাটক আৰু প্রাচীন ভাৰতীয় সাহিত্য

গ্রীক্ সাহিত্যত থকাৰ দৰে কবিতা আৰু সঙ্গীতৰ গভীৰ অন্তৰঙ্গ সম্পর্কযুক্ত সহাৱস্থান প্রাচীন ভাৰতীয় সাহিত্যত পোৱা নাযায়। কোনোবাটো কবিত্বত চহকী হ'লেও সুৰত দুর্বল। আনহাতে, কোনোটোৰ সঙ্গীত ধর্ম উচ্চ হ'লেও কবিত্ব গুণত দুর্বল আৰু মৌলিকত্বহীন। উদাহৰণ স্বৰূপে, ঋকবেদৰ সূক্তসমূহ কাব্যগুণত আগবঢ়া। আনহাতে সামবেদৰসূক্ত সঙ্গীতমূলক, কিন্তু নতুনত্বহীন। ঋক্ মন্ত্রকে তেওঁলোকে ঘূৰাই ঘূৰাই সুৰ

ধৰি গাইছিল। পালি সাহিত্যত অৱশ্যে কবিত্বগুণযুক্ত গান পোৱা যায়। দীৰ্ঘনিকায় গ্ৰন্থত পঞ্চশিখ গন্ধৰ্বই বুদ্ধৰ আগত গোৱা গানসমূহ সঙ্গীত আৰু কবিত্ব দুয়োটাতে ওপৰ খাপৰ। কিন্তু এনে উদাহৰণ অতি বিৰল। সংস্কৃত সাহিত্যত অৱশ্যে গানৰ সংখ্যাও বৰ কম।

সাগৰৰ বিৰাট ৰূপৰ উপলব্ধি গ্রীক্ কবিসকলৰ দৰে প্রাচীন ভাৰতীয় কবিয়ে কৰিব পৰা নাছিল। সেয়েহে গ্রীক্ নাটকত থকাৰ দৰে সাগৰৰ ৰূপায়নো প্রাচীন ভাৰতীয় সাহিত্যত নাই।

গ্রীক্ নাটকত স্বদেশপ্রেমৰ গভীৰ সুৰ যিদৰে শুনা যায় সংস্কৃত সাহিত্যত সেইদৰে শুনিবলৈ পোৱা নাযায়।

গ্রীক্ ট্রেজেডিত সন্নিৱিষ্ট থকা ধৰণৰ মাধুৰ্য আৰু কবিত্বৰ সমাহাৰ ঘটা বিৰহগাথা সংস্কৃত সাহিত্যত পোৱা নাযায়। সংস্কৃত ভাষাও গ্রীক্ৰ দৰেই মধুৰ। কিন্তু সংস্কৃতৰ তুলনাত গ্রীক্ ভাষা ক্ষীপ্রগামী হোৱা বাবে এই ক্ষেত্রত তেওঁলোকৰ বিশেষ সুবিধা আছিল।



জানি থোৱা ভাল

- গ্রীক্ নাটকৰ গানত সামাজিক সমস্যা, ব্যক্তি হৃদয়ৰ আৱেগ-অনুভৱ, দুখ-সুখ, স্বদেশপ্রেম, সাগৰ আদি বিভিন্ন বিষয় সন্নিৱিষ্ট হৈছিল।
- ক'ৰাছৰ প্রধান উদ্দেশ্য হৈছে— নাটকৰ ঘটনাবিলাকৰ ওপৰত মন্তব্য প্রকাশ কৰা, নায়কৰ ভাগ্য বিপর্যয়ত সহানুভূতি জ্ঞাপন কৰা আৰু জীৱনৰ ডাঙৰ ডাঙৰ সমস্যা আৰু ভাগ্যৰগতি-প্রকৃতিৰ বিষয়ে নিজৰ অভিমত কবিত্বপূর্ণভাষাত সঙ্গীতময়ভাৱে সুৰেৰে প্রকাশ কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ 'গ্রীক্ নাটকৰ গান' প্রবন্ধত গ্রীক্ ট্রেজেডিত ব্যৱহাৰ কৰা গানৰ বিষয়ে কেনে ধৰণৰ আলোচনা আছে বহলাই লেখক।
(300টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৫ ঃ ক'ৰাছৰ বিষয়ে এটা প্রবন্ধ লেখক। (150টা শব্দৰ ভিতৰত)

১০.৫ কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰীতি

অসমীয়া কথাসাহিত্যত চিন্তাৰ গদ্যৰ এটা আদর্শনীয় ৰূপ যিসকলৰ লেখাৰ মাজত স্পষ্ট হৈ উঠিল সেইসকলৰ ভিতৰত কৃষ্ণকান্ত সন্দিকৈৰ নাম বিশেষভাৱে উল্লেখযোগ্য। সংস্কৃতকে মুখ্য কৰি একাধিক বিদেশী ভাষাত ব্যুৎপত্তি থকা সন্দিকৈয়ে অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৱদানসমূহ বিষয়বস্তুৰ দিশৰ পৰা যিদৰে অতি মূল্যবান সেইদৰে গদ্যৰীতিৰ দিশৰ পৰাও

বিশেষভাৱে গুৰুত্বপূর্ণ। গ্রন্থৰ ৰূপত অসমীয়া ভাষাত তেওঁৰ কোনো ৰচনা প্রকাশিত নহ'লেও বিবিধ প্রবন্ধ, অনুবাদ, টোকা, শিশু-উপযোগী ৰচনাকেইটিৰ জৰিয়তে এক নিজস্ব গদ্যৰীতি গঢ় লৈ উঠিছে।সন্দিকৈৰ গদ্যই তেওঁৰ সৌম্য-সংযমী ব্যক্তিত্বৰআধাৰতে এটা নিজস্ব শৈলীত বিকাশ লাভ কৰিছে। কৃষ্ণকান্ত সন্দিকৈৰ বিস্তৃত অধ্যয়নলব্ধ গভীৰ জ্ঞান আৰু নির্মোহ চিন্তাৰ ফলশ্রুতিত গদ্যৰ ভাষাৰীতি আৰু প্রকাশভঙ্গী দুয়োটাই এক বিৰল সমৃদ্ধিৰ অধিকাৰী হৈ উঠিছে। সন্দিকৈৰ গদ্যৰীতিৰ বৈশিষ্টসমূহ তলত আলোচনা কৰা হ'ল—

- **শব্দচয়ন ঃ** গদ্যৰ প্রথম আৰু প্রধান উপাদান হ'ল শব্দ। চিন্তাপ্রধান গদ্যত শব্দ সবল, পোনপটীয়া আৰু স্পষ্ট অর্থপ্রকাশক হোৱা উচিত। চিন্তাশীল গদ্য লেখক কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰ শব্দ বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁৰ শব্দসমূহৰ প্রধান গুণটিয়েই হৈছে স্পষ্ট অর্থ নির্দেশনা। ইউৰোপীয় ভাষা-সাহিত্য, দর্শন, ভাৰতীয় উচ্চস্তৰীয় সাহিত্য আদিৰ দৰে জটিল বিষয়ৰ গদ্য সাধাৰণ আৰু স্বাভাৱিক শব্দ প্রয়োগৰ বাবেই পাঠকৰ বোধগম্য আৰু আদৰণীয় হৈছে। অথচ দেশী-বিদেশী বিবিধ সাহিত্যৰ গভীৰ জ্ঞানে খুব সহজতেই সন্দিকৈৰ ৰচনাৰ শব্দৰাজিক পাণ্ডিত্যগন্ধী, কঠিন কৰি তোলাৰ অৱকাশ আছিল। কিন্তু পাঠকৰ মানসিকতাৰ লগত সঙ্গতি ৰাখিহে তেওঁ গদ্যত শব্দ ব্যৱহাৰ কৰিছে। সংস্কৃত সাহিত্যত প্রসিদ্ধ পণ্ডিত হ'লেও অভিভাষণসমূহ বা শিশুসাহিত্য আদিৰ ক্ষেত্রত তৎসমকে মুখ্য কৰি কোনো ধৰণৰ জটিল শব্দকেই সন্দিকৈয়ে প্রাধান্য দিয়া নাই। সহজ-সাধাৰণ মার্জিত কথা-বতৰাত ব্যৱহৃত শব্দৰেই তেওঁ ভাষণ প্রদান কৰিছে। ভাষণাদিত জটিল বিষয়ৰ ব্যাপক চিন্তাকো স্বাভাৱিক শব্দৰেপ্রভাৱশালী ৰূপত প্রকাশ কৰিব পৰাটো লেখকৰ দক্ষতা আৰু দূৰদৃষ্টিৰ পৰিচায়ক। তেওঁৰ দার্শনিক ভাবাপন্ন আৰু গহীন চিন্তামূলক প্রবন্ধসমূহৰ বিষয়বস্তু জটিল হোৱা বাবে তাৰ ভাষাৰীতিও স্বাভাৱিকতেই কোনো সময়ত কিছু জটিল হৈ উঠিছে। কিন্তু লেখকৰ সচেতনতা আৰু দক্ষতাই এনে প্রয়োগ বেছি ব্যাপক হ'বলৈ দিয়া নাই। তেওঁৰ ৰচনাত যথেষ্ট মাত্রাত তৎসম শব্দ পোৱা গ'লেও সেইসমূহ দুর্বোধ্য নহয় বাবে এনে প্রয়োগে সন্দিকৈৰ লেখা ভাৰাক্রান্ত কৰা নাই। সাধাৰণভাৱে সহজ পৰিচিত এই শব্দসমূহে বিষয় প্রকাশৰ স্বাভাৱিক ৰীতিতেই গদ্যত স্থান লাভ কৰিছে।

  সন্দিকৈৰ ৰচনাত সন্ধিযুক্ত শব্দৰ যথেষ্ট প্রাধান্য লক্ষ্য কৰা যায়। যেনে— ভৰিষ্যদ্বিশালতা, সাহিত্যোপযোগী, ক্রমোৎপত্তি, কাতৰোক্তি, শস্যোৎপত্তি, শস্যোৎপাদক, হৃদয়োন্মত্তকাৰী, চৰমোৎকর্ষ, ধর্মোন্মত্ত আদি। কৃষ্ণকান্ত সন্দিকৈয়ে সাহিত্য ৰচনা কৰোঁতে জতুৱা বা কথ্য শব্দক বিশেষ প্রাধান্য দিয়া নাই। স্বভাৱজাত গম্ভীৰ ব্যক্তিত্ব, মার্জিত ৰুচিবোধ, মিতভাষী স্বভাৱ আৰু গভীৰ জ্ঞান-চিন্তাৰ প্রভাৱৰ বাবেই তেওঁৰ গদ্যত এক পৰিশীলিত শব্দ ব্যৱহাৰৰ ৰীতি গঢ় লৈ উঠিছে। অৱশ্যে তাৰ মাজতো খনদিয়েক, গোটাদিয়েক, তিমান, নৰীয়া, গা-তঙোৱা, সৰু-চানেকীয়া, বনাই ফুৰা আদি শব্দৰ নিদর্শন পোৱা যায়। ইয়াৰ উপৰিও থলুৱা যুৱীয়া শব্দৰো

যথোপযোগী প্রয়োগ তেওঁৰ গদ্যত লক্ষ্য কৰা যায়। দুখ-কষ্ট, তর্জন-গর্জন, দুর্ভাগ্য-দুৰাশা, চুচুক-চামাক আদি যুৰীয়া শব্দৰ ব্যৱহাৰে সন্দিকৈৰ গদ্য জতুৱা ৰীতিপ্রধান নোহোৱা সত্ত্বেও ঠায়ে ঠায়ে এক থলুৱা সুৰ প্রদান কৰিছে। তেওঁৰ ৰচনাত বিশেষ গুৰুত্ব বা বহুল প্রয়োগ নাথাকিলেও অর্ধতৎসম শব্দৰ প্রয়োগো লক্ষ্য কৰা যায়। আনহাতে, সন্দিকৈৰ ৰচনাৰ শব্দসম্ভাৰৰ মূল অবয়ৱটো নির্মিত হৈছে তদ্ভৱ শব্দৰে। কিন্তু ইয়াৰ এক বিস্তৃত অংশ আৱৰি আছে ইংৰাজী শব্দই। শিশু সাহিত্যৰ বাহিৰে তেওঁৰ সকলো ৰচনাতেই এনে শব্দৰ যথেষ্ট প্রাচুর্য আছে। অৱশ্যে ভাষণকেইটিত তেওঁ ভাষাৰ স্বাভাৱিকতা ৰক্ষা কৰিবলৈ গৈহে এনে শব্দৰ আশ্রয় গ্রহণ কৰিছে। কিন্তু বিষয় অনুকূলে ৰচনাত ঠাই দিয়া ইংৰাজী শব্দবোৰে তেওঁৰ ভাষণক দুর্বোধ্য কৰা নাই বা এইবোৰ তাত অজীন হৈও থকা নাই। প্রবন্ধৰাজিৰ ক্ষেত্রতো 'বেবিলনৰ বেদ', 'জার্মান সাহিত্যৰ সপোন নাটক', 'ইউৰোপৰ ভাষা আৰু সাহিত্য', 'অনুবাদৰ কথা' আদিৰ দৰে অচিনাকি বিষয়ৰ কথা ক'বলৈ যাওঁতে বহুক্ষেত্রতেই তেওঁ স্পষ্ট ধাৰণাৰ বাবে ইংৰাজী শব্দৰ আশ্রয় লৈছে। এয়া সন্দিকৈৰ বিষয় বা চিন্তাৰ স্পষ্ট প্রকাশৰ প্রতি গুৰুত্ব দিয়াৰ ফল। ইংৰাজী শব্দ ব্যৱহাৰৰ ক্ষেত্রত তেওঁৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে তাৰ লগে লগে অসমীয়া প্রতিৰূপৰ উল্লেখ। ইংৰাজী শব্দৰ লগতে তাৰ অসমীয়া পোনপটীয়া ৰূপান্তৰ বা ভাবানুবাদৰ উল্লেখ কৰা ৰীতি সন্দিকৈৰ গদ্যত অতি ব্যাপকভাৱে দেখা যায়। ইয়াক তেওঁৰ শব্দ ব্যৱহাৰৰ আটাইতকৈ চকুত লগা বৈশিষ্ট্য বুলি ক'ব পাৰি। সন্দিকৈৰ গদ্যত উভৈনদী হৈ থকা এনে কেতবোৰ শব্দৰ উদাহৰণ দাঙি ধৰা হ'ল—

- হিতবাদ (Utilitarianism)
- পাঠাগাৰ (Reading union)
- আত্মীয়তা সাধন (Assimilation)
- বাহ্যশূন্যবাদ (Idealism)
- গৰখীয়া পদ্য (Pastoral poetry)
- সংশ্লেষণমূলক ঐক্য (Synthetic unity)
- গুঢ়ার্থবাদী (Mystic)
- 'ৰোমাণ্টিচিজ্‌ম' বা অনুভূতিবাদ
- বিজ্ঞান পৰিষদ (Academy of Sciences)
- কেন্দ্রোন্মুখী প্রবৃত্তি (Centralizing tendency)
- গুঢ়জ্ঞানবাদ (Mysticism)
- প্রায়শ্চিত্ত কর্ম (Atonement ritual)
- একবাদী ৰাষ্ট্র (Monistic State)
- শিক্ষা-শ্রেণী (Tutorial Class)

- মগ্নচেতন (Subconscious)
- স্থাপন শিলা (Foundation stone)
- সপোন ভ্রমণ বা Somnambulism
- কোমল (Sentimental)
- লোকতন্ত্র (Democratic)
- বহুদেৱবাদ (Polytheism)
- আন্তর্জাতীয় উদ্দীপনা বা International awakening

এনেদৰে ইংৰাজী-অসমীয়া দুয়োটা ৰূপৰ উল্লেখে দেশী-বিদেশী বিবিধ সাহিত্যৰ জটিল অপৰিচিত বিষয়সমূহৰ অর্থ উপলব্ধি কৰাত পাঠকক যে সহায় কৰিছে সেয়া নিশ্চিত।

উৎসগতভাৱে বিভিন্ন শ্রেণীৰ শব্দৰ মার্জিত ব্যৱহাৰেৰে গদ্যক এক আদর্শনীয় গাম্ভীর্যপূর্ণ ৰূপত গঢ়ি তোলা সন্দিকৈৰ কিছুমান নিজস্ব শব্দ প্রয়োগৰীতিৰ পৰিচয়ো ৰচনাৰাজিৰ মাজত বিচাৰি পোৱা যায়। 'সেইবাবে'ৰ পৰিৱর্তে 'সেই গুণে', 'আমাৰ বাবে'ৰ পৰিৱর্তে 'আমাৰ পক্ষে', 'আনহাতে'ৰ পৰিৱর্তে আনপক্ষে, 'এওঁলোক', 'তেওঁলোক'ৰ পৰিৱর্তে 'এওঁবিলাক', 'তেওঁবিলাক' আদি শব্দ প্রয়োগে তেওঁৰ নিজস্ব ধ্যান-ধাৰণা বা ৰীতিৰ স্বাক্ষৰ বহন কৰিছে। তদুপৰি এটা শব্দতেই বহু ভাবৰ ইঙ্গিত নিহিত কৰি প্রয়োগ কৰিব পৰাটো সন্দিকৈৰ শব্দ ব্যৱহাৰৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশ। এইবোৰৰ উপৰিও সীমিত সংখ্যক ৰচনাৰ মাজতে সাধাৰণভাবে ব্যৱহৃত কেইটামান শব্দক সন্দিকৈয়ে নিজা দৃষ্টিৰে গদ্যত প্রয়োগ কৰা দেখা গৈছে। এই ক্ষেত্রত 'ডাঙৰ সাহিত্য', 'আহল-বহল সাহিত্য', 'সঁজুলি', 'ফুলি উঠা' আদি শব্দলৈ আঙুলিয়াব পাৰি।

সন্দিকৈৰ শব্দ ব্যৱহাৰৰ আটাইতকৈ উল্লেখনীয় কথা হ'ল মিতব্যয়িতা। অতি প্রয়োজনীয় খুব কম সংখ্যক শব্দৰে ভাব প্রকাশৰ চেষ্টা তেওঁৰ সকলো গদ্যৰ মাজতেই লক্ষ্য কৰা যায়। তদুপৰি স্বাভাৱিক কথনশৈলীক কৃত্রিম কৰি তুলিব পৰা বা ভাবক অস্পষ্ট কৰিব পৰা কোনো ধৰণৰ শব্দ প্রয়োগৰ প্রৱণতা তেওঁৰ মাজত দেখা পোৱা নাযায়। সচেতন চিন্তাশীল গদ্যলেখক হিচাপে শব্দ ব্যৱহাৰৰ এনে সচেতনতাই তেওঁৰ গদ্যক সফল ৰূপত প্রতিষ্ঠিত হোৱাত প্রধানভাৱে সহায় কৰিছে। অৱশ্যে ইয়াৰ মাজত দুই এটা দুর্বলতাও দেখা পোৱা যায়। উদাহৰণ স্বৰূপে, সন্দিকৈৰ গদ্যত ব্যৱহৃত "সাহিত্যতা", "নিৰাপদতা" "অৱশ্যকর্তব্যতা" আদি শব্দ শুদ্ধ বুলি ক'ব নোৱাৰি। সেইদৰে ইংৰাজী শব্দৰ প্রয়োগে অধিক ক্ষেত্রতে অর্থবোধত পাঠকক সহায় কৰিলেও অসমীয়া ব্যৱহাৰৰ অৱকাশ থকাতো বহু সময়ত প্রয়োজনবিহীনভাৱেও এনে শব্দ প্রয়োগ কৰা দেখা গৈছে। দুই এটা এনে সাধাৰণ দুর্বল দিশ থাকিলেও জটিল, অচিনাকি আৰু তাত্ত্বিক বিষয়সমূহো উপযুক্ত শব্দচয়ন আৰু শব্দ ব্যৱহাৰেৰে সার্থকভাৱে প্রকাশ কৰাৰ ক্ষেত্রত সন্দিকৈক সফল গদ্য নির্মাতা বুলি ক'ব পৰা হয়।

- **বাক্য গঠন ঃ** চিন্তামূলক গদ্য ওজস্বী, প্রভাৱশালী আৰু স্পষ্ট ৰূপত প্রতিষ্ঠিত হ'বলৈ হ'লে ইয়াৰ বাক্যৰচনাৰ ক্ষেত্রতো লেখক সচেতন হ'ব লাগিব। বিষয়ানুকূল, স্পষ্ট অর্থবোধক আৰু বৈচিত্র্যপূর্ণ বাক্যৰচনাৰ প্রতি লেখকে অধিক গুৰুত্ব প্রদান কৰিলেহে গদ্যই আকর্ষণীয় আৰু সবল ৰূপ লাভ কৰে। কৃষ্ণকান্ত সন্দিকৈৰ গদ্যই ওজস্বী আৰু প্রভাৱশালী ৰূপ লাভ কৰাৰ ক্ষেত্রত তেওঁৰ বাক্যৰীতিয়েও সম্পূর্ণভাৰে অৰিহণা যোগাইছে। শব্দচয়ন আৰু বাক্যৰচনা দুয়ো ক্ষেত্রতেই অর্থৰ স্পষ্ট আৰু সবল প্রকাশক লক্ষ্য কৰি আগবঢ়াত তত্ত্বগধুৰ বিষয়ৰ হোৱা সত্ত্বেও সন্দিকৈৰ গদ্য সাৱলীল আৰু প্রাঞ্জল ৰূপতে গঢ়ি উঠিছে। সন্দিকৈয়ে গদ্যত বিভিন্ন ধৰণৰ বাক্যৰ সহায় গ্রহণ কৰিছে। বুদ্ধিমত্তাৰে সৰল, জটিল, যৌগিক, প্রশ্নবোধক, ভাববোধক আদি বিবিধ বাক্যক গদ্যত সন্নিৰিষ্ট কৰাত গদ্যৰ প্রকৃতি বৈচিত্র্যময় নোহোৱা সত্ত্বেও পৌনঃপৌনিকতা হোৱা নাই। বিষয়বস্তু ক্ষিপ্র গতিৰে আগুৱাই নিবৰ বাবে কেতিয়াবা তেওঁ অতি পোনপটীয়া, চুটি চুটি বাক্যৰ আশ্রয় লৈছে। তেওঁৰ এনে বাক্যবোৰ অতি আড়ম্বৰহীন, নিৰলঙ্কাৰ আৰু সহজ সৰল। "ব্রহ্মই আত্মা", "জগৎ মায়াময়" আদি অতি অর্থৱহ চুটি বাক্যৰ প্রয়োগেৰে তেওঁৰ গদ্য সমৃদ্ধ। অৱশ্যে ঠায়ে ঠায়ে সংযোজক অব্যয়, যতিচিহ্ন আদিৰ সহযোগত ৰচনা কৰা দীঘল বাক্যও তেওঁ গদ্যত প্রয়োগ কৰিছে। ভাৰসাম্য ৰক্ষা কৰি চুটি-দীঘল দুই শ্রেণীৰ বাক্যৰ সমান্তৰাল প্রয়োগেৰে ভাব-চিন্তা প্রকাশ কৰাত সন্দিকৈৰ গদ্য বিষয়ানুকূল আৰু মহত্বপূর্ণ হৈ উঠিছে। তদুপৰি সংস্কৃত, ইংৰাজী আদি উদ্ধৃতিযুক্ত বাক্য ৰচনা কৰিও তেওঁ পাঠকৰ বিষয়বোধ জন্মোৱাৰ চেষ্টা কৰিছে।

প্রধানভাৱে বস্তুনিষ্ঠ গদ্য ৰচনা কৰিলেও তাৰ মাজতে ভাববোধক আৰু প্রশ্নবোধক বাক্যৰ সুন্দৰ প্রয়োগেৰে সন্দিকৈয়ে গদ্যক আকর্ষণীয় ৰূপ প্রদান কৰিছে। ভাববোধক বাক্যৰ ব্যৱহাৰ ব্যাপক নহয়। কিন্তু য'তেই কৰিছে সি অতি সার্থক আৰু যথোপযোগী হৈ উঠিছে। ভাববোধক বাক্যৰ আশ্রয়ত লিখকে সীমিত শব্দৰ মাজতেই বহু ভাব আৰু চিন্তা নিহিত কৰি ৰাখিবলৈ সক্ষম হৈছে। সেইদৰে ঠায়ে ঠায়ে প্রশ্নবোধক বাক্যৰ যথোচিত প্রয়োগেৰেও লিখকে ক্রমে ক্রমে বিষয়বস্তু উপস্থাপন কৰি এক সুকীয়া মাধুর্য গদ্যক প্রদান কৰিছে। উদাহৰণ স্বৰূপে, "প্রাচীন লেটিন সাহিত্যৰ প্রকৃত আৰম্ভ কিদৰে হৈছিল ? ঘাইকৈ গ্রীক্ৰ পৰা কৰা অনুবাদেৰে।"

আনহাতে, সামগ্রিক বিচাৰত কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰ বাক্যৰীতি কিন্তু সম্পূর্ণ জতুৱা ঠাঁচযুক্ত বুলি ক'ব নোৱাৰি। সেইবুলি সন্দিকৈ জতুৱা ভঙ্গীৰে গদ্য ৰচনাৰ পৰিপন্থী নহয়। ঠায়ে ঠায়ে তেওঁৰ হাততো সুন্দৰ জতুৱা ঠাঁচৰ বাক্য সৃষ্টি হোৱা দেখা গৈছে। আনকি বিদেশী ভাষাৰ পৰা কৰা অনুবাদতো তেওঁ কোনো কোনো ঠাইত অসমীয়া নিজস্ব জতুৱা ঠাঁচৰ সফল ব্যৱহাৰ কৰিছে। একেদৰে সন্দিকৈয়ে কোনো কোনো সময়ত কথ্যভঙ্গীৰেও বাক্য সৃষ্টি কৰিছে।গভীৰ জ্ঞানসমৃদ্ধ চিন্তাসমৃদ্ধ ৰচনাত এনে বাক্য ব্যৱহাৰ কৰিব পৰাটো লেখকৰ এক বিশেষ সফলতা। কাৰণ উচ্চ চিন্তাসম্পন্ন গধুৰ বিষয়বস্তু

আৰু কথ্যভঙ্গীৰ বাক্য— এই দুয়োটাৰ সহাৱস্থান লেখকৰ দক্ষতা অবিহনে অতি সহজেই বিসঙ্গতিপূর্ণ হৈ উঠিলহেঁতেন। একেদৰে 'কাজেই' শব্দৰে আৰম্ভ কৰা কেতবোৰ বাক্যয়ো জতুৱা ঠাঁচপ্রধান নোহোৱা সত্ত্বেও তেনে এক ৰূপ লাভ কৰিছে। উদাহৰণ স্বৰূপে, "কাজেই জনদিয়েক দোভাষীয়েইহে (Interpreter) মাথোন যি অলপ-অচৰপ ডাচ্ ভাষাৰে কথা ক'ব পাৰিছিল।" এনে ৰীতিৰ বাক্য সন্দিকৈৰ গদ্যত ব্যাপকভাৱে দেখা যায়।

বিভিন্ন ভঙ্গীৰ বাক্য ব্যৱহাৰেৰে চিন্তামূলক গদ্য হোৱা সত্ত্বেও ৰচনাক সফল আৰু যথাসম্ভৱ সহজ কৰি তোলা সন্দিকৈৰ বাক্যৰচনাৰ সবাতোকৈ প্রধান বৈশিষ্ট্যটো হৈছে তেওঁৰ কেতবোৰ বাক্য অতি সাৰগর্ভ প্রবাদ বাক্যসদৃশ। কম সংখ্যক শব্দৰ সহযোগত শক্তিশালী গঠনেৰে বিস্তৃত ভাব অতি স্পষ্ট আৰু সংহতভাৱে তুলি ধৰা সন্দিকৈৰ এনেবোৰ বাক্য গভীৰ ভাব-চিন্তাৰ মর্মবাণী স্বৰূপ। উদাহৰণ স্বৰূপে, "শকুন্তলাৰ এটা হুমুনিয়াহ অনেক নায়িকাৰ কান্দোনতকৈ বেছি মর্মস্পর্শী।"

শকুন্তলাৰ শোক, দুখ, অৱস্থাৰ সূক্ষ্মাতিসূক্ষ্ম উপলব্ধিৰ লগতে এই অৱস্থাৰ চিত্রায়ণত যে শকুন্তলাৰ সৃষ্টিকর্তা কিমান সফল তাক অনুভৱ কৰিবলৈ এই বাক্যটোৱেই যথেষ্ট। শকুন্তলা চৰিত্রৰ বিশ্লেষণ প্রসঙ্গত কোৱা এই কথাষাৰৰ দৰে বাক্যৰ প্রয়োগ তেওঁৰ গদ্যৰ অন্যতম বৈশিষ্ট্য। সন্দিকৈৰ বাক্সংযমৰ ই অন্যতম উদাহৰণ। অৱশ্যে তেওঁৰ গদ্যত বিষয়ৰ প্রয়োজনত কোনো কোনো ঠাইত ভাবোচ্ছাসপূর্ণ কাব্যিক বাক্যও ব্যৱহৃত হোৱা দেখা গৈছে। কিন্তু সি অতি সামঞ্জস্যপূর্ণ, পৰিশীলিত আৰু সীমিত।

মুঠতে গুৰু-গম্ভীৰ বিষয়ৰ স্পষ্ট, আকর্ষণীয় অথচ সৰল প্রকাশেৰে চিন্তাশীল গদ্যক সবল ৰূপ প্রদানৰ ক্ষেত্রত সন্দিকৈৰ বাক্যৰীতি সফল বুলি ক'ব পৰা যায়।

- **অনুচ্ছেদ আৰু কূটচিহ্ন ঃ** গদ্যৰ সফলতাৰ ক্ষেত্রত অনুচ্ছেদবোৰ এক গুৰুত্বপূর্ণ ভূমিকা আছে। সন্দিকৈৰ গদ্যই আন আন উপকৰণৰ দৰে অনুচ্ছেদ ৰচনাতো লেখকৰ সচেতনতা আৰু দক্ষতাৰ উমান দিবলৈ সক্ষম। তেওঁৰ অনুচ্ছেদসমূহে ভাবৰ একো একোটা দিশ প্রতিফলিত কৰিছে। এনে কৰিবলৈ যোৱাৰ বাবেই কেতিয়াবা মাত্র এটা বাক্যৰেই সন্দিকৈয়ে এটা অনুচ্ছেদ ৰচনা কৰিছে। তেনে সৰু অনুচ্ছেদৰ বহুল ব্যৱহাৰ থাকিলেও ভাব-চিন্তাক একোটা সংহত ৰূপত ক্রমে ক্রমে প্রকাশ কৰিবৰ কাৰণে সন্দিকৈয়ে কেতিয়াবা আকৌ যথেষ্ট দীঘলীয়াকৈও অনুচ্ছেদ ৰচনা কৰিছে। তদুপৰি এইসমূহৰ জৰিয়তে ভাবৰ ধাৰাবাহিকতা ৰক্ষা কৰাটো যে লেখক সচেতন আছিল তাৰ নিদর্শন তেওঁৰ গদ্যত অনেক বিচাৰি পোৱা যায়। মূল একোটা বাক্যক কেন্দ্র কৰি অনুচ্ছেদ ৰচনা কৰা সন্দিকৈয়ে অনুচ্ছেদসমূহৰ মাজত ভাবসঙ্গতি ৰক্ষা কৰা দেখা গৈছে। তদুপৰি অনুচ্ছেদসমূহত অপ্রয়োজনীয়ভাৱে এটা বাক্যকো তেওঁ তাত স্থান দিয়া নাই।

আনহাতে, সন্দিকৈৰ গদ্যত ভাববোধক, প্রশ্নবোধক আদি যতিচিহ্নৰ অর্থৱহ কৌশলপূর্ণ প্রয়োগপৰিলক্ষিত হয়। তেওঁৰ গদ্যত বিভিন্ন স্থানত প্রয়োগ হোৱা প্রশ্নবোধক চিহ্নৰাজিয়ে লেখকৰ মনৰ অশেষ কৌতূহল আৰু চিন্তা প্রকাশৰ লগতে পাঠককো

সেই বিষয়সমূহ সম্পর্কে ভবাই তুলিব পাৰে। উদাহৰণ স্বৰূপে, "প্রকৃতি-তত্ব আৱিষ্কাৰ কৰিবলৈকে মানৱ সৃষ্টি নে? ঈশ্বৰসৃষ্ট পদার্থসমূহ আৰু স্বয়ং ঈশ্বৰ —ইয়াৰ ভিতৰৰ কোন অধিক বিবেচনাৰ যোগ্য?"

সাধাৰণ শব্দৰে প্রকাশ কৰিবলৈ অধিক কষ্ট বা সময়ৰ প্রয়োজন হোৱা বিষয় একোটাকো যতিচিহ্নৰ সহায়ত সহজতে এনেদৰে ইঙ্গিতাত্মক আৰু প্রভাৱশালী ৰূপত সন্দিকৈয়ে তুলি ধৰিবলৈ সমর্থ হৈছে। প্রশ্নবোধকৰ দৰে ভাববোধক চিহ্নকো লেখকে যথেষ্ট ইঙ্গিতব্যঞ্জক ৰূপত লেখাত ব্যৱহাৰ কৰিছে। এইসমূহৰ উপৰি সাধাৰণভাৱে যতিচিহ্ন প্রয়োগতো সন্দিকৈ যে সচেতন আছিল তাৰ বহুতো নিদর্শন তেওঁৰ গদ্যত বিদ্যমান।

- **লয় ঃ** কৃষ্ণকান্ত সন্দিকৈৰ ৰচনাৰ প্রতিটো বাক্যই যিহেতু গভীৰ চিন্তাপ্রসূত সেয়েহে ইয়াৰ ভাষাও গুৰু-গম্ভীৰ ভাবোপযোগী। কিন্তু গহীন বিষয়বস্তুকো সাৱলীল আৰু শ্রুতিমধুৰ ৰূপত উপস্থাপন কৰিবলৈ যাওঁতে কোনো কোনো সময়ত গদ্য সুন্দৰভাৱে লয়যুক্ত হৈ উঠিছে।

"ব্রহ্মজ্ঞানৰ অতুল প্রভাৱত এটি মাথোন মন্ত্রই জগত জুৰিব, মিল ভাৱ উথলি পৰিব। সেই শুভক্ষণত সংসাৰ পোহৰ হৈ উঠিব। হিংসা-দ্বেষ ভাৱ এৰি,ভিন ভাৱ এৰি, কর্মফললৈ আওকাণ কৰি জগতবাসী আগবাঢ়ি যাব,অগ্নি-পৰীক্ষাত জীৱন গঢ়িত হ'ব। গ্রহে উপগ্রহে, পর্বতৰ গুহাই গুহাই বিশ্বভুৱনত ধীৰ গম্ভীৰ সুৰেৰে প্রতিধ্বনিত হ'ব— 'উত্তিষ্ঠিত জাগ্রত প্রাপ্যবৰান্নিবোধত'।"

উদ্ধৃত বাক্যকেইটিয়ে যিদৰে এক অনুৰণন তুলি লয়ৰ সৃষ্টি কৰিছে সি গদ্যক সুন্দৰ শ্রুতিমাধুর্য প্রদান কৰাৰ লগতে লেখকৰ মনৰ আবেগ-আন্তৰিকতাৰো ইঙ্গিত দাঙি ধৰিছে। কিন্তু এনে লয় অৱশ্যে সন্দিকৈৰ গদ্যত বিস্তৃতভাৱে দেখা পোৱা নাযায়, কাৰণ তেওঁৰ গদ্যত গভীৰ চিন্তা, দর্শন আৰু সূক্ষ্ম দৃষ্টিৰ বিশ্লেষণহে মূল বিষয়; আবেগ বা অনুভুতিৰ কোমল প্রকাশ ইয়াৰ প্রধান উদ্দেশ্য নহয়।

- **খণ্ডবাক্য, প্রবচন, ফকৰা-যোজনা ঃ** কৃষ্ণকান্ত সন্দিকৈৰ গদ্য খণ্ডবাক্য, প্রবচন আদিৰে পৰিপূর্ণ জতু�ৰা ৰূপৰ বুলি ক'ব নোৱাৰি। কাৰণ 'জার্মেনিৰ জ্ঞানসাধনা', 'সাংখ্য-দর্শন', 'নৈষধচৰিত আৰু ভাৰতীয় চিত্রকলা' আদি ৰচনাসমূহৰ শিৰোনামসমূহেই ইয়াৰ জটিল তত্বগধুৰ বিষয়বস্তুৰ আভাস দিব পাৰে। সেয়েহে সন্দিকৈয়ে বিষয়োপযোগী পোনপটীয়া অথচ সংযমী আৰু গহীন ভাষাকেই অৱলম্বন ৰূপে গ্রহণ কৰিছিল। কিন্তু তথাপিও ইয়াৰ মাজতেই সামঞ্জস্য ৰক্ষা কৰি দুই এটা খণ্ডবাক্য প্রবচন আদি ব্যৱহাৰ কৰিব পৰাটো লেখকৰ বিশেষ কৃতিত্ব। এনে ব্যৱহাৰে এই ক্ষেত্রত থকা সন্দিকৈৰ অনুৰাগৰো পৰিচয় বহন কৰিছে।
- **অলঙ্কাৰ ঃ** কৃষ্ণকান্ত সন্দিকৈ মূখ্যতঃ চিন্তামূলক প্রবন্ধ লেখক হ'লেও তেওঁৰ ৰচনাত সৃষ্টিশীল সাহিত্যৰ দৰেই বিবিধ শব্দালঙ্কাৰ আৰু অর্থালঙ্কাৰৰ প্রয়োগ দেখা যায়। এই সমূহৰ প্রয়োগে তেওঁৰগদ্যক এক কোমল আবেশ প্রদান কৰিছে।তদুপৰি বিভিন্ন বিষয়

স্পষ্টভাৱে প্ৰকাশত সহায় কৰাৰ লগতে গদ্যক ৰসাশ্ৰয়ী সাহিত্যৰ দৰে মাধুৰ্যপূৰ্ণ কৰি তুলিছে। সন্দিকৈৰ গদ্যত ব্যৱহৃত এনে বিবিধ অলঙ্কাৰৰ উদাহৰণ দাঙি ধৰা হ'ল—

- **অনুপ্ৰাস ঃ** "শত্ৰুৱে বিষম বিক্ৰমেৰে বাধা-বিঘিনি দিব।"
- **আৰোহণ ঃ** "তেওঁৰ জীৱনৰ প্ৰত্যেক ঘটনা ইতিহাসৰ পিঠিত জিলিকি থাকিব। তেওঁৰ বীৰত্বৰ কথা জগতৰ প্ৰত্যেকৰে স্মৃতিপটত উজ্বল হৈ থাকিব। কল্পনা-মন্দিৰত তেওঁৰ মূৰ্তি স্থাপিত হৈ পূজা পাই থাকিব।"
- **প্ৰত্যক্ষ বা ভাবিক ঃ** "ইউৰোপৰ অন্যান্য সাহিত্যৰ ওপৰত ফৰাচী সাহিত্যই বৰ বেছি পৰিমাণে প্ৰভাৱ বিস্তাৰ কৰিছে, কেতিয়াবা বটগছৰ দৰে, কেতিয়াবা ৰঘুমলাৰ দৰে; এবাৰ মধ্যযুগত, আনবাৰ সপ্তদশ শতিকাৰ শেহত।"
- **সমাসোক্তি ঃ** "গ্ৰীক্ সাধনাৰ কেন্দ্ৰ এথেন্সৰ ভাষাই নিজৰ বিস্তাৰৰ সীমা বঢ়াই অন্যান্য উপভাষাবিলাকক লাহে লাহে তল পেলাবলৈ ধৰিলে। কালক্ৰমত বাকীবিলাক লাহে লাহে শুকাই-ক্ষীণাই গৈ শেহত একেবাৰেই লোপ পালে, খ্ৰীষ্টিয় দ্বিতীয়-তৃতীয় শতিকাত সিহঁতৰ হাড়তো বন গজিল বুলিব পাৰি।"
- **অতিশয়োক্তি ঃ** "সেই মণি-কাঞ্চন যোগ দেখি আকাশী জোনো তবধ লাগিল। সেই আনন্দধ্বনি সুমধুৰ সঙ্গীতৰ লগত মিহলি হৈ সুদূৰ আকাশৰ সাম গানমগ্ন ঋষিবৃন্দৰ মাজত লীন হ'লগৈ। ওভতনি স্বৰূপে ঋষি-হৃদয়ো সঙ্গীতৰ সুৰৰ গভীৰ স্পন্দনত কঁপি উঠিল।"
- **ৰূপক ঃ** "অপাৰ দুৰ্ভাগ্য-দুৰাশাই যি বীৰৰ প্ৰাণ দুৰ্গ লৰাব নোৱাৰিলে আজি ইজাবেলৰ এটা কথাই তেওঁৰ জীৱনশক্তি ৰোধ কৰি দিলে।"
- **উপমা ঃ** "প্ৰৱাহমান নদীয়ে প্ৰথম অৱস্থাত তীব্ৰ গতিৰে আগবাঢ়ি ঠায়ে ঠায়ে পৰ্বত-পাহাৰ ভাঙি ক'ৰবাত সমতল, ক'ৰবাত বালিচৰ সৃষ্টি কৰি, ক'ৰবাত পাৰ খহাই ক'ৰবাত পাৰ বান্ধি শেষত শান্ত গতিৰে বিশাল সিন্ধুত লীন যোৱাৰ দৰে চম্পাৱতী নাটকৰ কথাভাগে আৰু কাৰ্যই পোন প্ৰথমে শৃঙ্গাৰ, বীৰ, কৰুণ, হাস্যৰসৰ মাজেদি প্ৰৱাহিত হৈ শেষত শান্ত ৰসতে পৰিসমাপ্তি লাভ কৰিছে।"

সুন্দৰ উপমা প্ৰয়োগৰ ক্ষেত্ৰত সন্দিকৈৰ বিশেষ দক্ষতা পৰিলক্ষিত হয়। কেতিয়াবা কোনোবাটো বিষয় সুন্দৰভাৱে দাঙি ধৰিবলৈ গৈ তেওঁ একেৰাহে একাধিক উপমাৰ আশ্ৰয় লৈছে। সৌন্দৰ্যপূৰ্ণ উপমাৰ উপৰিও কেতিয়াবা সাধাৰণভাৱে সংস্কৃত শব্দ আৰু থলুৱা তুলনাৰেও তেওঁ বিষয়বস্তু প্ৰকাশ কৰিছে।

এনেদৰে গহীন প্ৰবন্ধাৱলীতো সুসঙ্গতি ৰক্ষা কৰি বিবিধ অলঙ্কাৰৰ প্ৰয়োগ কৰিলেও কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰীতিক সম্পূৰ্ণভাৱে 'আলঙ্কাৰিক' আখ্যা দিব নোৱাৰি। তেওঁৰ গদ্যভঙ্গী প্ৰধানকৈ পোনপটীয়া, নিৰলঙ্কাৰ, সাৱলীল। কিন্তু তাৰ মাজতেই কোনো কোনো সময়ত তেওঁৰ হাতত সুন্দৰ কাব্যিক আৰু আলঙ্কাৰিক ৰীতি গঢ় লৈ উঠিছে। উদ্দেশ্য আৰু বিষয়ৰ পাৰ্থক্য অনুসৰি তেওঁ এই ৰীতি গদ্যত ব্যৱহাৰ কৰিছে।

- **গদ্যৰ বিভিন্ন ৰীতি ঃ** শব্দ ব্যৱহাৰ, বাক্যগঠন, অলঙ্কাৰ, লয়, অনুচ্ছেদ ৰচনা আদিৰ সহযোগত সন্দিকৈৰ গদ্যৰ মাজেদি পৰিমিত ৰীতি বিকশিত হ'লেও ইয়াত বৰ্ণনাত্মক, যুক্তিনিষ্ঠ, চিন্তামূলক আদি গদ্যৰীতিৰো প্ৰয়োগ দেখা গৈছে। যিকোনো এটা বিষয়ৰ উপযোগিতা প্ৰতিপন্নৰ বাবে বা বিষয়টো প্ৰতিষ্ঠাৰ বাবে বিভিন্ন ধৰণৰ সাৰগৰ্ভ যুক্তি আৰু দেশী-বিদেশী জাতি-ভাষা-সাহিত্যৰ উদাহৰণ আগবঢ়োৱাটো তেওঁৰ গদ্যৰীতিৰ বৈশিষ্ট্য। এনে বৈশিষ্ট্যৰ বাবে তেওঁৰ গদ্যত সুন্দৰ যুক্তিনিষ্ঠ ৰীতি গঢ় লৈ উঠিছে। উদাহৰণ স্বৰূপে, 'অনুবাদৰ কথা' নামৰ প্ৰবন্ধটোত অসমীয়া সাহিত্যত অনুবাদৰ প্ৰয়োজনীয়তা প্ৰতিপন্ন কৰিবলৈ গৈ জাপানী ভাষাৰ বিভিন্ন দিশৰ বিভিন্ন অনুবাদৰ বিস্তৃত বৰ্ণনাৰ লগতে আন আন ভাষাৰো উদাহৰণ দাঙি ধৰিছে আৰু শেষত বিষয়টোৰ ক্ষেত্ৰত এটা সিদ্ধান্ত আগবঢ়াইছে।আনহাতে,অসমীয়া সাহিত্যত সন্দিকৈৰ গদ্যৰ মাজেদি এক উচ্চস্তৰীয় চিন্তামূলক ৰীতি গঢ় উঠিছে। তেওঁৰ গদ্যৰপৰা এনে ৰীতিৰ নিদৰ্শন মাত্ৰ দাঙি ধৰা হ'ল— "উচ্চ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত জীৱনব্যাপী সাধনা নহ'লে ওখ খাপৰ সাহিত্যৰ সৃষ্টি হোৱা টান। আমাৰ মাজত ব্যক্তিগত সাধনাৰ অভাৱ অকল সাহিত্যতে নহয় জীৱনৰ সকলো ক্ষেত্ৰতে দেখা যায়। সাহিত্যৰ ক্ষেত্ৰত ইয়াৰ ফল অতি শোচনীয় হৈছে।"

  এনেদৰে যুক্তিনিষ্ঠ আৰু চিন্তামূলক ৰীতিৰ সফল আৰু ব্যাপক প্ৰকাশ ঘটা সন্দিকৈৰ গদ্যত সামগ্ৰিকভাৱে বৰ্ণনাত্মক ৰীতিৰ প্ৰাধান্যই অধিক। তদুপৰি তেওঁৰ গদ্যত নাটকীয় আৰু জ্ঞানজ্ঞাপক ৰীতিৰো স্থানবিশেষে প্ৰয়োগ দেখা গৈছে। অৱশ্যে প্ৰধানকৈ উল্লিখিত তিনিটা ৰীতিৰ মাধ্যমেৰেই তেওঁৰ গদ্যৰীতিৰ অবয়ৱটি গঠিত হৈছে। আৰু এই সকলো ৰীতিকে পৰিমিত সংযমী ধৰ্মই বিশেষ মৰ্যদাৰ অধিকাৰী কৰি তুলিছে।

  গদ্যৰ সফলতাৰ অন্যতম প্ৰধান দিশ হ'ল ইয়াৰ প্ৰকাশভঙ্গী। নিৰৱচ্ছিন্ন সাধনাৰে সাহিত্য চৰ্চা কৰা কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰীতিৰ প্ৰকাশভঙ্গীয়েও তেওঁৰ প্ৰতিভা, ব্যক্তিত্ব, ৰুচি আৰু দূৰদৃষ্টিৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। ৰচনাৰ উদ্দেশ্য, প্ৰকৃতি আদি অনুসৰি সীমিত সংখ্যক সৃষ্টিৰ মাজতেই প্ৰকাশভঙ্গীৰ বৈচিত্ৰ্য আৰু চাতুৰ্যৰ প্ৰকাশে সন্দিকৈৰ গদ্যক আদৰ্শনীয় মহত্ব প্ৰদান কৰিছে। তেওঁৰ শিশু সাহিত্য আৰু দেশী-বিদেশী সাহিত্যৰ জ্ঞানৰ সমাহাৰ ঘটা প্ৰবন্ধৰাজিৰ প্ৰকাশভঙ্গীৰ মাজত স্পষ্ট পাৰ্থক্য পৰিলক্ষিত হয়। অৰ্থাৎ যি শ্ৰেণীৰ পাঠকক সন্মুখত ৰাখি সাহিত্য সৃষ্টি কৰা হৈছে সেইসকলৰ মানসিকতা, গ্ৰহণক্ষমতা, চিন্তাশক্তি আৰু ৰুচিৰ প্ৰতি লেখক হিচাপে সন্দিকৈ যথেষ্ট সচেতন আছিল। তেওঁৰ শিশুক উদ্দেশ্যি লিখা ৰচনাকেইটি অতি সাধাৰণ, পোনপটীয়া, সহজবোধ্য আৰু সৰল। 'তামৰ গৰু' আদি বিদেশী কাহিনীকো সন্দিকৈয়ে অতি সাৱলীল আৰু শিশু উপযোগী ৰীতিৰে উপস্থাপন কৰিছে। সৰল বৰ্ণনাৰ মাজে মাজে আকৌ প্ৰত্যক্ষ উক্তি, কথোপকথন আদি সন্নিৱেশ কৰাত শিশুক উদ্দেশ্যি লিখা কাহিনীকেইটি অতি আকৰ্ষণীয় হৈ উঠিছে। সন্দিকৈৰ শিশুসাহিত্যকেইটিৰ প্ৰকাশভঙ্গীয়ে লেখকৰ সুকৌশলী দৃষ্টিৰ স্বাক্ষৰ বহন কৰিছে।

ৰচনাভঙ্গীয়ে যেসংশ্লিষ্ট লেখকজনৰ ব্যক্তিত্বৰ স্বৰূপ বুজাত সহায় কৰে তাৰ উজ্জ্বল নিদর্শন হিচাপে সন্দিকৈৰ গদ্যৰ কথা ক'ব পৰা যায়। তেওঁৰ ব্যক্তিত্বৰ সংযমে ৰচনাৰীতিৰ জৰিয়তে সুন্দৰভাবে প্রকাশ লাভ কৰিছে। অনাৱশ্যকীয় কথাৰ পাতনি তেওঁৰ ৰচনাত সমূলি পাবলৈ নাই। অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণটিলৈ লক্ষ্য কৰিলে দেখা যায় যে সর্বসাধাৰণতে দেখা পোৱা আড়ম্বৰপূর্ণ সম্বোধন আদিৰে তেওঁ বক্তৃতাটি দীঘলীয়া কৰা নাই। মিতভাষী সন্দিকৈয়ে অতি সহজ-সাধাৰণভাবে সম্বোধন কৰিয়েই পোনে পোনে বিষয়বস্তুৰ অৱতাৰণা কৰিছে। সন্দিকৈৰ ভাষণটিৰ সামৰণিৰ ভাষাও অতি মিতব্যয়ী। অতি সংক্ষিপ্ত পৰিসৰৰ মাজত বিভিন্ন বিষয় সামৰি ভাষণ আগবঢ়োৱা সন্দিকৈৰ অভিভাষণৰ আৰম্ভণিৰ পৰা সামৰণিলৈকে প্রতিটো বাক্যই একোটা গধুৰ আৰু বিশেষ চিন্তাৰ বাহক। অসমীয়া ভাষা-সাহিত্যৰ পৰিপুষ্টি, প্রসাৰ আৰু সমৃদ্ধিৰ উপায়, ভাষা সম্পর্কীয় চিন্তা, উৎকৃষ্ট সাহিত্যসৃষ্টিৰ উপকৰণ, সাহিত্যৰ লগত সমাজ-সুকুমাৰ কলা-ভ্রমণৰ সম্পর্ক, পুৰণি সাহিত্যৰ সংৰক্ষণ আৰু গৱেষণা, জাতীয় প্রয়োজন পূৰণৰ বাবে বিশ্ববিদ্যালয় স্থাপন আদি বিভিন্ন দিশৰ বিবিধ গুৰুত্বপূর্ণ দিশকে সাহিত্য সভাৰ অভিভাষণখনিয়ে সামৰি লৈ চিন্তাসমৃদ্ধ বিশ্লেষণ আগবঢ়াইছে। কিন্তু এই সকলোখিনি বিষয়ৰ প্রতি গুৰুত্ব দিয়া সত্ত্বেও ভাষণটি অতি চমু আৰু ইয়াৰ গঠনো নিটোল। পোনপটীয়াভাবে কোনো জটিলতা নোহোৱাকৈ ভাষণটিত বিষয় বা চিন্তা আদি উপস্থাপন কৰা হৈছে। অন্যান্য প্রবন্ধৰাজিৰ দৰেই ভাষণসমূহতো প্রতিটো বাক্যতে এক বিস্তৃত বিষয় নিহিত কৰি ৰাখিব পৰাতো সন্দিকৈৰ ৰচনাচাতুর্যৰ প্রধান দিশ।

ভাষণকেইটিৰ দৰেই কৃষ্ণকান্ত সন্দিকৈৰ প্রতিটো ৰচনাই তেওঁৰ মিতভাষী, চিন্তাশীল চৰিত্রৰ উজ্বল স্বাক্ষৰ বহন কৰিছে। ভাষা, বিজ্ঞান আদি সম্পর্কে অতি সংক্ষিপ্তভাৱে নিজা দৃষ্টিৰে তেওঁ যি সংজ্ঞা দাঙি ধৰিছে সি অতি সাৰগর্ভ আৰু বিষয়প্রকাশক।

"ভাষা শব্দৰ এটা প্রাণশূন্য সমষ্টি নহয়, সি বক্তাৰ বিদ্যা-বুদ্ধি, ভাৱৰ গতি অনুসৰণ কৰা এটা গতিশীল পদার্থ।"

উদাহৰণটোৱে লেখকৰ ভাব আৰু ৰীতিৰ চহকী ৰূপ এটাৰ পৰিচয় তুলি ধৰিছে। জটিল বিষয়বস্তুকো যথাসম্ভৱ সৰল ৰূপত প্রকাশৰ প্রয়াস তেওঁৰ গদ্যৰ মাজত সদায়েই লক্ষ্য কৰা যায়। বিদেশী অপৰিচিত সাহিত্য, দর্শন, ভাৰতীয় সাহিত্যৰ জটিল তত্ত্ব আদিক ওজস্বী ভাষাৰীতিৰে তেওঁ সাৱলীলভাৱে গদ্যত তুলি ধৰিছে। বিভিন্ন জটিল বিষয়কো সহজবোধ্যভাৱে প্রকাশ কৰিবলৈ গৈ সন্দিকৈয়ে দেশী-বিদেশী বিবিধ সাহিত্যৰ প্রসঙ্গ টানি অনা ৰীতি যথেষ্টভাৱে গদ্যত দেখা গৈছে। কেৱল বিষয়ৰ স্পষ্ট প্রকাশৰ বাবেই নহয় নিজা চিন্তা, মতাদর্শ আদিৰ প্রত্যয়জনক প্রতিপাদনৰ বাবেও বহুক্ষেত্রতেই তেওঁ এনে প্রকাশভঙ্গীৰে বিবিধ প্রসঙ্গৰ অৱতাৰণা কৰিছে। উদাহৰণ স্বৰূপে, সন্দিকৈয়ে অসমীয়া ভাষা-সাহিত্যত অনুবাদৰ প্রয়োজনীয়তা প্রতিপন্ন কৰিবলৈ গৈ জাপানী ভাষাৰ বিভিন্ন দিশৰ বিভিন্ন অনুবাদৰ বিস্তৃত বর্ণনাৰ লগতে আন আন ভাষাৰো উদাহৰণ দাঙি ধৰিছে।

এনে ধৰণৰ বিবিধ প্রসঙ্গ বর্ণনাৰ উপৰিও বিদেশী কবিতা, সংস্কৃত সাহিত্য, অসমীয়া থলুৱা লোকগীত আদিৰ উদ্ধৃতিৰ সন্নিবেশ কৰিও সন্দিকৈয়ে গদ্যক এক ব্যতিক্রমী সোৱাদ দিবলৈ সক্ষম হৈছে। প্রতিটো বাক্যই চিন্তামূলক হোৱা স্বত্বেও এনে ৰীতিয়ে তেওঁৰ প্রকাশভঙ্গীৰ চাতুর্যৰ পৰিচয় দিয়াৰ লগতে গদ্যকো মাধুর্য প্রদান কৰি পাঠকৰ হৃদয়গ্রাহী কৰি তুলিছে। ব্যক্তিৰ জীৱন সংক্রান্তীয় লিখাকেইটিত মনৰ ভাবক এনে উদাহৰণৰ উল্লেখে অতি জীৱন্ত ৰূপ প্রদান কৰিছে। বিষয়ৰ প্রতি থকা লেখকৰ আন্তৰিকতা, প্রকাশভঙ্গীৰ চাতুর্যই সুন্দৰভাৱে পাঠকৰ চকুৰ আগত উদ্ভাসিত কৰি তুলিবলৈ সক্ষম হৈছে।

ভাৰতীয় সাহিত্য আৰু অন্যান্য বিষয়ৰ উপৰিও বিদেশী সাহিত্য সম্পর্কীয় প্রবন্ধকেইটিত তেওঁ যিমান পাৰি চমুকৈ অথচ সকলো প্রয়োজনীয় কথা সামৰি আলোচনা কৰাৰ চেষ্টা কৰিছে। সকলো বিষয়েই পাঠকৰ অপৰিচিত হোৱা সত্ত্বেও সাৱলীল বর্ণনাৰীতি আৰু প্রাঞ্জল প্রকাশভঙ্গীয়ে জলজল পটপটকৈ তাক সহজবোধ্যভাৱে দাঙি ধৰিব পাৰিছে। স্পষ্ট ধাৰণাই গঢ় দিয়া এয়া লেখকৰ ৰচনানৈপুণ্যৰ ফল।

চিন্তামূলক প্রবন্ধৰ দৰেই বিদেশী কাহিনীকেইটাকো লেখকে অতি চাতুর্যৰে আকর্ষণীয় আৰু ৰসাল ৰূপত গঢ়ি তুলিছে। ঠায়ে ঠায়ে নাটকীয় পৰিৱেশ একোটাৰো সৃষ্টি কৰি বিষয়ৰ সৈতে পাঠকৰ একাত্মতা স্থাপনৰ সুবিধা কৰি দিছে। তদুপৰি 'যোৱা যক' আদি ভঙ্গী প্রয়োগেৰে কাহিনীৰ লগে লগে পাঠককো যেন আগবঢ়াই লৈ যাবলৈ চেষ্টা কৰিছে। উদাহৰণ স্বৰূপে, "টেৰুয়েল চহৰৰ অলপ আঁতৰলৈ যোৱা যক। এজোপা গছৰ তলত মাৰ্ছিলাক দেখা গৈছে। তেওঁক দেখোন কোনোবাই গছ জোপাতে বান্ধি থৈছে। কাৰবাৰ ভৰিৰ খোজ শুনা গৈছে। হঠাৎ ক'ৰবাৰপৰা ছদ্মৱেশী জুলিমা বেগম আহি মাৰ্ছিলাৰ আগত উপস্থিত হ'ল।"

বিদেশী কাহিনীকেইটিৰ এনে আকর্ষণীয় প্রকাশে সেইসমূহক ৰসসমৃদ্ধ ৰূপ প্রদান কৰিছে। এইসমূহত সন্নিৰিষ্ট কথোপকথন বা সংলাপ আদিও সু-সঙ্গত আৰু সুন্দৰ। আনকি এনে সাহিত্যৰ ক্ষেত্রত দুই এটা বাক্যৰ যি অনুবাদ ৰচনাৰ মাজত সন্নিৰিষ্ট হৈছে সেইসমূহৰো প্রকাশভঙ্গী আৰু ভাষা কোনোটোকেই পাঠকে অপৰিচিত বুলি ভবাৰ সুযোগ নাই।

ৰচনাৰ প্রকৃতি অনুসৰি সন্দিকৈয়ে প্রকাশভঙ্গীৰ ক্ষেত্রতো পার্থক্য ৰক্ষা কৰাটো তেওঁৰ সুকৌশলী দৃষ্টিৰ পৰিচায়ক। কিন্তু তেওঁৰ সকলো ৰচনাতেই মূল প্রশংসনীয় আৰু আদর্শনীয় দিশ হ'ল সংযম। এই ক্ষেত্রত সকলো ৰচনাই সামগ্রিকভাৱে একে গুণৰ অধিকাৰী। আনকি জীৱনীমূলক ৰচনাকেইটিতো গতানুগতিক দীঘলীয়া বংশ পৰিচয় পৰিহাৰ কৰি দুফাকি কথাৰেই সমস্ত বিষয়ৰ ইঙ্গিত দিবলৈ সক্ষম হৈছে। এনে সংক্ষিপ্ত অথচ বুদ্ধিদীপ্ত বর্ণনাই গদ্যক মহৎ কৰি তোলে।সন্দিকৈৰ ব্যক্তিত্বৰ চিৰন্তন সংযম আন ৰচনাসমূহৰ দৰেই ব্যক্তিগত চিঠিপত্রতো স্পষ্টভাৱে প্রতিফলিত হৈছে।

'ঋগবেদৰতিৰোতা কবিসকলৰ বিষয়ে','বামানয়' আদি সৃষ্টিকর্ম একো একোটা নাতিদীর্ঘ টোকা হ'লেও এইসমূহত বক্তব্যৰ লুকঢাকহীন পোনপটীয়া প্রকাশে অতি কম সংখ্যক শব্দৰ সহযোগত লেখকৰ স্পষ্ট বিষয়জ্ঞান আৰু নিৰপেক্ষ চৰিত্রৰ স্বৰূপ দাঙি ধৰিছে।

অসমীয়া গদ্যৰীতিৰ ইতিহাসত 'চিন্তাৰ গদ্য' ৰূপে কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰ স্থান নির্দিষ্ট আৰু উচ্চ। জটিল বিষয়সমূহো স্পষ্ট চিন্তাৰে, তুলনামূলক বিশ্লেষণেৰে দাঙি ধৰি বোধগম্য কৰি তুলিব পৰাটো তেওঁৰ গদ্যৰীতিৰ মহত্ব। যিকোনো বিষয়ৰ প্রণালীবদ্ধ প্রকাশ, সংযমী শব্দ ব্যৱহাৰ, বিভিন্ন ইংৰাজী শব্দৰ অসমীয়া ৰূপান্তৰ আৰু সাৰগর্ভ বাক্য ৰচনা আদিৰ দিশৰ পৰা তেওঁৰ গদ্য এক বিশেষ মূল্যৰ অধিকাৰী।অৱশ্যে সন্দিকৈৰ গদ্যৰীতিত বৈচিত্র্য বিশেষ নাই। কিন্তু গুৰুগম্ভীৰ, পৰিশীলিত ভঙ্গীৰে চিন্তাৰ গদ্য নির্মাণৰ এটি আদর্শনীয় নিদর্শন তেওঁ অসমীয়া সাহিত্যত দাঙি ধৰিবলৈ সমর্থ হ'ল। ভাব-চিন্তাৰ সংযম আৰু গভীৰতাৰ ভেটিত গঢ় লোৱা সন্দিকৈৰ গদ্যক ব্যক্তিগত বৈশিষ্টই এটা নিজস্ব ৰীতি ৰূপে প্রতিষ্ঠা কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক। (২০০টা শব্দৰ ভিতৰত)



১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিত কৃষ্ণকান্ত সন্দিকৈৰ জীৱনৰ সাধাৰণ পৰিচয় আগবঢ়োৱাৰ লগতে তেওঁৰ জ্ঞান সাধনা আৰু অগাধ পাণ্ডিত্যৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল।
- জ্ঞানৰ সাধক সন্দিকৈয়ে কেনেদৰে জীৱনজোৰা কষ্ট আৰু অধ্যয়নেৰে অসাধ্য সাধন কৰি জটিল গ্রন্থ ৰচনা কৰিছিল সেয়া অধ্যায়টোত আলোচনা কৰা হ'ল। সন্দিকৈৰ পুথিকেইখনৰ বিশ্বসাহিত্য আৰু ভাৰতীয় সাহিত্যৰ পটভূমিত যি অনন্য গুৰুত্ব আৰু মূল্য আছে, সেই কথাও অধ্যায়টোত অন্তর্ভুক্ত কৰা হৈছে।
- সন্দিকৈয়ে অসমীয়া ভাষাত ৰচনা কৰা প্রবন্ধসমূহৰ জৰিয়তে অসমীয়া সাহিত্যত পূর্বে নথকা কিছুমান নতুন বিষয়ৰ অধ্যয়নৰ বাট মুকলি কৰিলে। দেশী-বিদেশী সাহিত্যৰ বিশ্লেষণ সম্বলিত এই প্রবন্ধসমূহৰ বিষয়ে অধ্যায়টোত আলোচনা কৰা হ'ল।
- সাহিত্য সম্পর্কে সন্দিকৈৰ নিজস্ব চিন্তা আৰু আদর্শ আছে। সন্দিকৈৰ সাহিত্যবিষয়ক মৌলিক মতাদর্শৰ বিষয়ে অধ্যয়টোত আলোচনা কৰা হৈছে।
- প্রাচীন গ্রীক্ ট্রেজেডিৰ উৎপত্তি, ট্রেজেডিৰ বিষয়বস্তু আৰু ট্রেজেডিসমূহৰ প্রভাৱ আদিৰ আলোচনা অধ্যায়টোত সন্নিৰিষ্ট হৈছে।

- 'ক'ৰাছ'ৰ স্বৰূপ, উদ্দেশ্য, ট্ৰেজেডিত ক'ৰাছৰ প্ৰাধান্যৰ কাৰণ, ইয়াৰ বিভিন্ন বিষয়বস্তু আৰু পৰিবেশনশৈলীৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হৈছে।
- ট্ৰেজেডিত ক'ৰাছৰ উপৰিও আন কেইবাবিধো গানৰ ব্যৱহাৰ আছে। সেইসমূহ হৈছে— কম্মছ, ৰঙ্গমঞ্চৰ গান আৰু মনডি। কেউবিধৰে আলোচনা অধ্যায়টোত সন্নিৱিষ্ট হৈছে।
- প্ৰচুৰ অধ্যয়নশীল পণ্ডিত কৃষ্ণকান্ত সন্দিকৈৰ গদ্যৰীতিও অসমীয়া সাহিত্যৰ এক মূল্যবান সম্পদ। সন্দিকৈৰ গদ্য লেখকৰ ব্যক্তিত্বৰ সংযম, অগাধ জ্ঞান, স্বচ্ছ চিন্তা আৰু যুক্তিপূৰ্ণ বিশ্লেষণৰীতিৰ আধাৰত প্ৰতিষ্ঠিত। সন্দিকৈৰ গদ্যই অসমীয়া সাহিত্যত যুক্তিনিষ্ঠ আৰু চিন্তামূলক গদ্যৰ এক সুন্দৰ নিদৰ্শন সৃষ্টি কৰিলে। সন্দিকৈৰ গদ্য সম্পৰ্কীয় এনেবোৰ বিষয় অধ্যায়টোত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।



১০.৭ অধিক জানিবলৈ

1] কৃষ্ণকান্ত সন্দিকৈ স্মাৰক শিক্ষা সমিতি (সম্পা.) [1988] ঃ *কৃষ্ণকান্ত সন্দিকৈ ঃ ব্যক্তিত্ব আৰু প্ৰতিভা*; কৃষ্ণকান্ত সন্দিকৈ স্মাৰক শিক্ষা সমিতি।

2] গোস্বামী, যতীন্দ্ৰ নাথ (সম্পা) [2001] ঃ *কৃষ্ণকান্ত সন্দিকৈ ৰচনা-সম্ভাৰ*; অসম সাহিত্য সভা।

3] ভট্টাচাৰ্য্য, বীৰেন্দ্ৰ কুমাৰ [1990] ঃ *কৃষ্ণকান্ত সন্দিকৈৰ সাহিত্য চিন্তা*; প্ৰগেছিভ বুক হাউচ।

4] ভূঞা, স্মৃতিৰেখা [2009] ঃ *অসমীয়া গদ্যৰীতি*; আঁকবাক।

5] শৰ্মা, মুকুন্দমাধৱ (সম্পা.) [1999] ঃ *কৃষ্ণকান্ত সন্দিকৈৰ মনীষা*; অসম প্ৰকাশন পৰিষদ।



১০.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰীহৰ্ষৰ 'নৈষধ চৰিত'ৰ আলোচনা... ...'যশস্তিলক এণ্ড ইণ্ডিয়ান কালচাৰ'ৰ বিষয়ে আলোচনা... ...'সেতুবন্ধ'ৰ আলোচনা।

২নং প্ৰশ্নৰ উত্তৰ ঃ সন্দিকৈয়ে ইংৰাজী ভাষাত ৰচনা কৰা পুথিকেইখনৰ চমু আলোচনা... ...ইংৰাজী প্ৰবন্ধৰ উল্লেখ... ...অসমীয়া ভাষাত ৰচনা কৰা পুথিৰ পাতনি, টোকা, গান, কবিতা, শিশুসাহিত্য আদিৰ কথা উল্লেখ... ...অসমীয়া ভাষাত ৰচনা কৰা প্ৰবন্ধসমূহৰ আভাস... ...অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণৰ আভাস।

৩নং প্ৰশ্নৰ উত্তৰ ঃ অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণত সাহিত্য সম্পৰ্কে কোৱা কথাসমূহৰ উল্লেখ... ...'অনুবাদৰ কথা' প্ৰবন্ধত সন্দিকৈয়ে অনুবাদ সম্পৰ্কত কোৱা কথাসমূহৰ আলোচনা।

৪নং প্রশ্নৰ উত্তৰ ঃ গ্রীক্ ট্রেজেডিত ব্যৱহাৰ কৰা বিভিন্ন শ্রেণীৰ গানৰ বিষয়ে উল্লেখ... ...ক'ৰাছৰ বিস্তৃত আলোচনা... ...কম্মছৰ আলোচনা... ...ৰঙ্গমঞ্চৰ গানৰ উল্লেখ... ...মনডিৰ আভাস।

৫নং প্রশ্নৰ উত্তৰ ঃ ক'ৰাছৰ উৎপত্তিৰ উল্লেখ... ...উদ্দেশ্য আৰু পৰিৱেশন ৰীতিৰ উল্লেখ... ...কবিত্ব আৰু মাধুৰ্যৰ সহাৱস্থানৰ বিষয়ে আলোচনা... ...ক'ৰাছত সাগৰৰ ব্যৱহাৰ, ক'ৰাছত সামাজিক সমস্যাৰ ৰূপায়ন আদিৰ বিষয়ে লিখিব লাগিব ।

৬নং প্রশ্নৰ উত্তৰ ঃ কৃষ্ণকান্ত সন্দিকৈৰ গদ্যত ব্যৱহৃত শব্দসম্ভাৰৰ আলোচনা... ...বাক্যৰীতিৰ আলোচনা... ...অলঙ্কাৰ, ৰীতি, প্রকাশভঙ্গী আদিৰ বৈশিষ্টসমূহৰ আলোচনা।



১০.৯ আৰ্হিপ্রশ্ন

প্রশ্ন ১ ঃ কৃষ্ণকান্ত সন্দিকৈৰ জীৱন আৰু ব্যক্তিত্বৰ বিষয়ে এটি পৰিচয় আগবঢ়াওক।

প্রশ্ন ২ ঃ 'জার্মেনিৰ জ্ঞান সাধনা'প্রবন্ধত কৃষ্ণকান্ত সন্দিকৈয়ে জার্মানঅধ্যয়ন সম্পর্কে কি মন্তব্য কৰিছিল আৰু কিয় কৰিছিল বুজাই লিখক।

প্রশ্ন ৩ ঃ কৃষ্ণকান্ত সন্দিকৈৰ গ্রন্থকেইখনৰ বিষয়ে এটা আলোচনা যুগুত কৰক।

প্রশ্ন ৪ ঃ সাহিত্যিক হিচাপে কৃষ্ণকান্ত সন্দিকৈৰ এক মূল্যায়ন কৰক।

প্রশ্ন ৫ ঃ 'গ্রীক্ নাটকৰ গান' প্রবন্ধটোৰ বিষয়বস্তু সম্পর্কে এটা আলোচনা আগবঢ়াওক।

প্রশ্ন ৬ ঃ গ্রীক্ ট্রেজেডিত কেনে ধৰণৰ গান ব্যৱহাৰ কৰা হয়? গ্রীক্ ট্রেজেডিৰ গানৰ বিষয়ে এক বিশ্লেষণ পাঠটোৰ আধাৰত আগবঢ়াওক।

প্রশ্ন ৭ ঃ ট্রেজেডিত ক'ৰাছৰ প্রাধান্যৰ কাৰণ কি উল্লেখ কৰক।

প্রশ্ন ৮ ঃ ট্রেজেডিৰ গানৰ ভিন্ন ধৰণৰ পৰিবেশনশৈলী সম্পর্কে এটি প্রবন্ধ লিখক।

প্রশ্ন ৯ ঃ ক'ৰাছৰ উদ্দেশ্যসমূহ কেনে ধৰণৰ লিখক।

প্রশ্ন ১০ ঃ গ্রীক্ নাটকৰ গানসমূহৰ কবিত্ব আৰু মাধুর্য গুণৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়াওক।

প্রশ্ন ১১ ঃ প্রাচীন গ্রীক্ নাটকৰ প্রভাৱ আৰু প্রেৰণাত ৰচনা কৰা সাহিত্যৰ বিষয়ে পাঠৰ আধাৰত এটি চমু আলোচনা আগবঢ়াওক।

*** **** ***